## পঞ্চম অধ্যায়

# ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত প্ৰতিফলিত নাৰীচেতনাৰ তুলনামূলক অধ্যয়ন

ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ নাৰী চৰিত্ৰসমূহৰ উজ্জ্বলতাই তেওঁলোকৰ উপন্যাসসমূহক বিশিষ্ট কৰি তুলিছে। কেওগৰাকী ঔপন্যাসিকেই তেওঁলোকৰ উপন্যাসসমূহত নাৰীচেতনাৰ বিভিন্ন দিশবোৰ পোহৰাবলৈ চেষ্টা কৰিছে।

আটাইকেইগৰাকী ঔপন্যাসিকৰ প্ৰতিটো নাৰী চৰিত্ৰই এটা কেঁকুৰিৰপৰা নতুন জীৱন লাভৰ আশাৰে আগুৱাই গৈছে। এই কেঁকুৰিটোত এজন সবল পুৰুষৰ উপস্থিতি সৰ্বদা লক্ষণীয়। সেই পুৰুষজনৰ অৱস্থিতি নোহোৱা হ'লে এওঁলোকৰ নাৰী চৰিত্ৰসমূহে সম্ভৱতঃ বেলেগ দিশলৈ গতি কৰিলেহেঁতেন। নাৰী চৰিত্ৰসমূহৰ জীৱনৰ গতিপথ নিৰ্ণয়কাৰীৰ ৰূপত পুৰুষ চৰিত্ৰসমূহৰ যথেষ্ট অৱদান আছে। ক'ব পাৰি যে তীব্ৰ নাৰীবাদী চেতনাতকৈও পুৰুষ আৰু নাৰী যে একেটা মুদ্ৰাৰে ইপিঠি সিপিঠি আৰু সংসাৰ তথা জীৱন পৰিচালনাৰ ক্ষেত্ৰত উভয়ে-উভয়ৰ পৰিপূৰক, এই পৰম্পৰাগত চেতনাই তিনিওগৰাকী ঔপন্যাসিককে কম-বেছি পৰিমাণে প্ৰভাৱিত কৰি ৰাখিছে।

ঔপন্যাসিককেইগৰাকীৰ প্ৰায় আটাইবোৰ নাৰী চৰিত্ৰৰ জীৱনলৈকে অনাকাংক্ষিত সংঘাত নামি আহিছে। এই নাৰীসকলে পৰিস্থিতিৰ লগত হাৰ নামানি যিকোনো অৱস্থাতে নিজক চম্ভালি লৈছে। বহু সময়ত তেওঁলোক গভীৰ মানসিক অন্তৰ্দ্বন্দ্বত ভোগাও পৰিলক্ষিত হৈছে। অৱশ্যে তেওঁলোকৰ কোনো ক্ষেত্ৰতেই ধৈৰ্যচ্যুতি ঘটা নাই। বিভিন্ন বাধা-নিষেধ, সংঘাত নেওচি প্ৰতিটো নাৰী চৰিত্ৰই নিজৰ সৃষ্টিশীল জগতত নিজকে ব্যস্ত ৰাখি এক স্বাভাৱিক জীৱন উপভোগ কৰিবলৈ সক্ষম হৈছে।

তিনিওগৰাকী ঔপন্যাসিকৰ উপন্যাসতে নাৰী জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, জৈৱিক আশা-আকাংক্ষাৰ মূৰ্ত প্ৰকাশ ঘটিছে। এওঁলোকৰ নাৰী চৰিত্ৰসমূহৰ আচাৰ-ব্যৱহাৰ আৰু কাম-কাজৰ মাজেদি কাহিনীসমূহৰ অগ্ৰগতি সম্ভৱ হৈ উঠিছে। পৰিস্থিতি সাপেক্ষে নাৰী চৰিত্ৰসমূহৰ

ৰেহ-ৰূপৰ পৰিৱৰ্তন হোৱা দেখা যায়। প্ৰতিগৰাকী ঔপন্যাসিকৰ উপন্যাসতে নাৰীসমূহে মৰ্মস্পৰ্শী হৈ ধৰা দিছে। এওঁলোকে নিজস্ব মননশীলতাৰে নাৰীমনৰ বিভিন্ন ভাবনাক স্পৰ্শকাতৰভাৱে প্ৰকাশ কৰিছে। কিন্তু সেয়ে হ'লেও উল্লেখিত তিনিওগৰাকী ঔপন্যাসিকৰ উপন্যাসৰাজিৰ নাৰী চৰিত্ৰসমূহৰ নাৰীচেতনা তথা নাৰী ভাবনাৰ উপস্থাপনৰ বিষয়বস্তু ভিন্ন। এই অধ্যায়ত এই নাৰীচেতনাসমূহে কোনটো দিশত একে হৈ ধৰা দিছে নতুবা কোনটো দিশত পৃথক ৰূপ পৰিগ্ৰহ কৰিছে, এই বিষয়ে আলোচনা কৰা হৈছে। লগতে সমকালীন হিন্দী, ইংৰাজী, বাংলা আৰু উড়িয়া ভাষাৰ নাৰীচেতনাসমৃদ্ধ উপন্যাসকেইখনমানৰো প্ৰসংগ টানি অনা হৈছে।

**সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক চেতনা ঃ**

ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ আটাইবোৰ উপন্যাস অধ্যয়নৰপৰা এটা কথা জ্ঞাত হয় যে এওঁলোকৰ প্ৰায় সকলোবোৰ নাৰী চৰিত্ৰৰে সামাজিক স্থিতি সবল। দৰিদ্ৰতাৰ কৰলত পৰি কক্‌বকাই থকা নাৰী চৰিত্ৰ প্ৰায়ে নগণ্য। ৰীতা চৌধুৰীৰ আটাইকেইখন উপন্যাসৰে নাৰীসমূহৰ এক প্ৰতিপত্তিশীল সামাজিক প্ৰতিষ্ঠা আছে। **'দেওলাংখুই'**, **'এই সময় সেই সময়'**, **'মায়াবৃত্ত'**, **'মহাজীৱনৰ আধাৰশিলা'**ৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰসমূহ এইক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য।

**'দেওলাংখুই'**ৰ **'চন্দ্ৰপ্ৰভা'** বা **'কনচাৰী'** প্ৰথমাৱস্থাত মহাপ্ৰতাপী ৰজা প্ৰতাপসিংহৰ ৰাজৰাণী আছিল। ঘটনাচক্ৰত পৰি তেওঁ গোভাৰাজ্যলৈ নিৰ্বাসিত হৈছে যদিও সেই ৰাজ্যতো তেওঁ গোভা সমাজৰ মুখ্য ভূমিকা বহনকাৰীৰ ৰূপত ধৰা দিছে।

মহানগৰীৰ এখন আগশাৰীৰ মহাবিদ্যালয়ৰ প্ৰবক্তা পদত নিয়োজিত থকা **'অদিতি'**ৰ কাহিনীৰে ঔপন্যাসিকে **'এই সময় সেই সময়'** উপন্যাসখন ৰচনা কৰিছে। এগৰাকী প্ৰবক্তা হিচাপে সমাজত অদিতিৰ এখন সুকীয়া আসন আছে।

**'মায়াবৃত্ত'** উপন্যাসৰ **'পুতি'** বা **'নীৰা'**ও সমাজৰ এখন উচ্চ আসনত অধিষ্ঠিত নাৰী চৰিত্ৰ। অৱশ্যে **'পপীয়া তৰাৰ সাধু'** উপন্যাসৰ **'জেউতি'**ৰ দৰে চৰিত্ৰই এক শক্তিশালী সামাজিক স্থিতি তথা জনপ্ৰিয়তাৰ তুংগত উঠিবলৈ গৈ কিদৰে কৰুণভাৱে মৃত্যুক সাবটি ল'ব লগা হৈছে, এই কথাও চৌধুৰীয়ে ব্যঞ্জিত কৰিছে। 'জেউতি' চৰিত্ৰৰ জৰিয়তে তথাকথিত আধুনিক

নাৰী দুৰাকাংক্ষালৈ পৰিণত হোৱা উচ্চাকাংক্ষাৰ চেতনা আৰু তাৰ পৰিণতি সম্পৰ্কে পুংখানুপুংখ বিশ্লেষণ কৰা হৈছে।

অনুৰাধা শৰ্মা পূজাৰীৰ নাৰী চৰিত্ৰসমূহ প্ৰধানকৈ যুৱাৱস্থাৰ নাৰী। তেওঁৰ কোনো নাৰী চৰিত্ৰই যদি নিজৰ সৰ্বতোপ্ৰকাৰৰ নিৰাপত্তাৰ বাবে নিম্নতকৈও নিম্নস্তৰৰ জীৱন পথ আঁকোৱালি লৈছে, কোনোৱে আকৌ সমাজৰ বিভিন্ন দিশৰ উন্নতিৰ ক্ষেত্ৰখনিত অংশীদাৰী হ'বলৈ মাথোঁ যোল্ল দিনৰ পিছত হ'বলগীয়া নিজৰ বিবাহকো উপেক্ষা কৰিছে। তেওঁৰ 'এজন ঈশ্বৰৰ সন্ধানত' উপন্যাসখনিত ৰক্ষণশীল সমাজৰ জাত-পাতৰ বিচাৰ পদ্ধতিত কিদৰে এগৰাকী নাৰীয়ে বন্দিত্বৰ জীৱনৰ লগতে পত্নীৰ সাধাৰণ মৰ্যাদাৰ পৰাও বঞ্চিত হৈ ৰৈছে এই কথা ব্যক্ত কৰা হৈছে। 'কাঞ্চন'ত দৰিদ্ৰতাৰ কবলত পৰি এগৰাকী নাৰীয়ে কিদৰে নিজকে আনৰ ভোগৰ সামগ্ৰী হিচাপে আগবঢ়াই দি হ'লেও সমাজৰ চকুত এখন আসন লাভ কৰিবলৈ আগবাঢ়ি গৈছে এই বিষয়টো ব্যঞ্জিত হৈছে। 'চাহেবপুৰাৰ বৰষুণ'ত 'বৰ্ষা'ৰ জৰিয়তে পুৰুষতান্ত্ৰিক সমাজ-ব্যৱস্থাক সম্পূৰ্ণৰূপে নস্যাৎ কৰি নাৰীচেতনাৰ উদ্‌গীৰণ ঘটাইছে। নিজৰ ইচ্ছা-অনিচ্ছা, চিন্তা-বিবেচনা, বিবেক-বুদ্ধি আদিক প্ৰাধান্য দি জীৱনটো কেৱল এজনৰ বাবে ত্যাগ নকৰি সমাজৰ বহুজনৰ হিতৰ বাবে কাম কৰা বৰ্ষাৰ জৰিয়তে ঔপন্যাসিকে নাৰীৰ সবল সামাজিক প্ৰতিপত্তিৰ ঘোষণা কৰিছে।

ইন্দিৰা মিৰিৰ জীৱনপ্ৰৱাহক লৈ ৰচনা কৰা 'মেৰেং' উপন্যাসত সমকালীন সমাজত নাৰীৰ মানৱতাবাদী আদৰ্শ আৰু নাৰী স্বাতন্ত্ৰ্যৰ লগতে নাৰীৰ স্থান আৰু সংঘাতৰ চিত্ৰও অংকিত হৈছে। সমাজত নিজৰ খোপনি মজবুত কৰিবলৈ নাৰীসকলে সন্মুখীন হোৱা বিচিত্ৰ অভিজ্ঞতাৰাজিক অনুৰাধা শৰ্মা পূজাৰীয়ে উপন্যাসসমূহত মূৰ্ত কৰি তুলিছে।

প্ৰধানকৈ নাৰী মনস্তত্ত্বক গুৰুত্ব প্ৰদান কৰি উপন্যাস ৰচোঁতা মণিকুন্তলা ভট্টাচাৰ্যৰ **'সন্ধ্যা'** নামৰ উপন্যাসখনত **'সন্ধ্যা'** কেন্দ্ৰীয় চৰিত্ৰটো এইড্‌চৰ দৰে ভয়াৱহ ৰোগৰ বলি হোৱাত সমাজৰ বিভিন্নজনৰ মনত তাইৰ প্ৰতি সৃষ্টি হোৱা বিৰূপ ধাৰণা আৰু ৰোগীক কৰা দুৰ্ব্যৱহাৰৰ কাহিনী ফুটি উঠিছে। ইয়াৰ উপৰি স্বামীৰ বিবাহপূৰ্ব বিলাসিতাই সন্ধ্যাৰ জীৱনলৈ কঢ়িয়াই অনা ভয়ংকৰ দুৰ্যোগৰ কথা ইয়াত উপস্থাপিত হৈছে।

পৰম্পৰাগত অসমীয়া সমাজখনত এগৰাকী বন্ধ্যা নাৰীৰ সামাজিক স্থিতি যে তেনেই নগণ্য এই কথা আলোচিত হৈছে **'বৰদোৱানী'** নামৰ উপন্যাসখনিত। **'বৰদোৱানী' বন্ধ্যা গাঁৱলীয়া**

**নাৰী এগৰাকীৰ মৰ্মান্তিক জীৱন পৰিচৰ্যাৰ জীৱন্ত দলিল স্বৰূপ।**

**'অৰুন্ধতী'** উপন্যাসৰ প্ৰধান নাৰী চৰিত্ৰ অনন্যাৰ সামাজিক স্থিতি অতি সবল। অনন্যাও বন্ধ্যা যদিও টকা-পইচা, ঐশ্বৰ্য-বিভূতি সকলো দিশৰ পৰাই তাই শক্তিশালী। সেয়েহে উচ্চপদস্থ আৰক্ষী বিষয়াৰ লগত বিবাহপাশত আবদ্ধ হৈ তাই নানান শাৰীৰিক-মানসিক অত্যাচাৰৰ সন্মুখীন হৈ মনে মনে নাথাকি বিবাহ বিচ্ছেদ ঘটাইছে। তাই পুনৰ বিবাহপাশত আবদ্ধ হৈ মনে বিচৰা ধৰণে সুখৰ জীৱন কটাইছে। অৰ্থনৈতিকভাৱে স্বাৱলম্বী আধুনিক নাৰীৰ জীৱন আৰু জগত সম্পৰ্কে থকা সদৰ্থক চেতনাৰ সাৱলীল প্ৰকাশ **'অৰুন্ধতী'** চৰিত্ৰত দেখা যায়।

**'যমুনা'** উপন্যাসৰ যমুনাৰ সামাজিক স্থিতিও মজবুত। যদিওবা তেওঁৰ স্বামী-সন্তানৰ অকাল মৃত্যু ঘটিছে, সময়ৰ সৈতে মোকাবিলা কৰি তেওঁ সমাজৰ বহুকেইজনৰ হিতৰ বাবে নানান কাৰ্যপন্থা হাতত লৈছে। ভ্ৰাম্যমাণ থিয়েটাৰত অভিনয় কৰিবলৈ যোৱা **'নয়না'** নামৰ চৰিত্ৰটোক লৈ সৃষ্টি হৈছে ভট্টাচাৰ্যৰ **'মই ডেচডিম'না হ'ব খোজোঁ'** উপন্যাসখন। এনে পটভূমি ৰীতা চৌধুৰী আৰু অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসত পাবলৈ নাই। অভিনয় কৰিবলৈ যোৱা নাৰীৰ প্ৰতি সমাজৰ এচাম মানুহৰ বিৰূপ মন্তব্যই ইয়াত স্থান পাইছে। অৱশ্যে নয়নাই সমাজৰ দহজনৰ কথা আওকাণ কৰি নিজৰ অভিনয় কলাৰে এক সুকীয়া মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। অভিনেত্ৰী জীৱনলৈ পদে পদে নামি অহা শোষণ-নিপীড়ন-লাঞ্ছনা আদিকো প্ৰতিভাৰ দ্বাৰা পৰাভূত কৰি শক্তিশালীভাৱে আকাশলৈ মূৰ দাঙি চোৱা সফল নাৰীৰ স্বাভিমানী চেতনাই এইখনি উপন্যাসৰ কাঠামো হৈ পাঠকৰ সন্মুখত ধৰা দিছে।

**'দস্তখত'** উপন্যাসত **'মায়া'**ৰ চৰিত্ৰৰ জৰিয়তে বিহাৰী সমাজত নাৰীৰ স্থান যে তেনেই শূন্য এই কথা প্ৰতীয়মান কৰা হৈছে। অনুৰাধা শৰ্মা পূজাৰীৰ **'চাহেব পুৰাৰ বৰষুণ'**তো বিহাৰৰ তিলুৱা নামৰ ৰে'ল ষ্টেচনটোৰ আশে-পাশে থকা গাঁওসমূহত নাৰী কিদৰে এচাম লোকৰ শোষণ আৰু ধৰ্ষণৰ বলি হৈ মৃত্যু পৰ্যন্ত আঁকোৱালি ল'ব লগা হৈছে এই কথা প্ৰতিফলিত হৈছে। তিলুৱা গাঁৱৰ শোষিত নাৰীসকল অথবা **'দস্তখত'**ৰ মায়া দৰাচলতে বিশাল ভাৰতবৰ্ষৰ বিহাৰ নামৰ এখন ৰাজ্যৰ একক চৰিত্ৰ নহয়। তৃতীয় বিশ্বৰ দেশ ভাৰতৰ সমগ্ৰ প্ৰান্তৰে এওঁলোক প্ৰতিনিধি চৰিত্ৰ বুলিব পাৰি। একবিংশ শতিকাৰ নাৰী সমাজ বহুদূৰ আগবাঢ়ি গৈছে। আৰ্থিকভাৱে সচ্ছল হৈছে। বৌদ্ধিক অনুশীলনেও এওঁলোকক আকাশ চুবলৈ উৎসাহিত কৰিছে, কিন্তু এনে

নাৰীৰ সংখ্যা এতিয়াও অতি কম শতাংশত আবদ্ধ হৈ আছে। একো একোগৰাকী উচ্চশিক্ষিত প্ৰতিভাৱান লেখক হিচাপে তিনিওগৰাকী ঔপন্যাসিকেই নাৰী চেতনাৰ এই দিশটোকো তেওঁলোকৰ উপন্যাসত সাহিত্যিক অনুৰাগেৰে প্ৰোজ্জ্বল কৰি সামাজিক দায়বদ্ধতাৰ পৰিচয় দাঙি ধৰিছে।

তিনিওগৰাকী ঔপন্যাসিকৰ কেইটামান নাৰী চৰিত্ৰত ৰাজনৈতিক চেতনাৰ দিশো ব্যঞ্জিত হৈছে। ৰীতা চৌধুৰীৰ **'এই সময় সেই সময়'**ৰ অদিতি অসম আন্দোলনৰ এক সক্ৰিয় অংশীদাৰ। ইয়াৰ উপৰি এই উপন্যাসখনিত ছাত্ৰ ৰাজনীতিৰ কথাও সাঙোৰ খাই পৰিছে। অনুৰাধা শৰ্মা পূজাৰীৰ **'নাহৰৰ নিৰিবিলি ছাঁ'**তো ভাস্বতীৰ জৰিয়তে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ লগত জড়িত বিভিন্ন দিশক ৰেখাপাত কৰা হৈছে। এই দুয়োগৰাকী ঔপন্যাসিকৰ উপন্যাসতে লেতেৰা ছাত্ৰনীতিৰ ফোঁপোলা স্বৰূপো অংকিত হৈছে। এইক্ষেত্ৰত কিন্তু **'অদিতি'** বা **'ভাস্বতী'** নিমাত হৈ যোৱা নাই। তেওঁলোক দুয়োৱে ৰাজনীতিৰ নামত হোৱা নানান অপৰাধৰ তীব্ৰ বিৰোধিতা কৰিছে। এইখিনিত নাৰী চেতনাৰ ক্ৰমাৎ প্ৰতিবাদী ৰূপটোও স্পষ্ট হৈ উঠিছে।

'দেওলাংখুই' উপন্যাসতো 'আবি কনচাৰী'য়ে গোভাৰাজ্য পৰিচালনাত মুখ্য সিদ্ধান্ত নিৰ্ণায়কৰ ৰূপত বিশিষ্ট আসন লাভ কৰিছে। তিনিটা প্ৰজন্মৰ যোগসূত্ৰকাৰীৰ ৰূপত অৱতীৰ্ণ হোৱা কনচাৰীৰ ৰাজনৈতিক বিচক্ষণতা অতুলনীয়। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত অৱশ্যে ৰাজনৈতিক চেতনাযুক্ত নাৰী চৰিত্ৰ অনুপস্থিত।

অৰ্থনৈতিক দিশতো এওঁলোকৰ নাৰী চৰিত্ৰসমূহ যথেষ্ট টনকিয়াল। ৰীতা চৌধুৰীৰ উপন্যাসৰ প্ৰায় আটাইবোৰ নাৰীয়েই আৰ্থিকভাৱে সবল। কোনোগৰাকী জন্মগতভাৱে আৰ্থিক দিশত টনকিয়াল নহ'লেও নিজস্ব কষ্টৰে এই দিশেৰে আগুৱাই যোৱাৰ প্ৰতি ব্ৰতী। **'পপীয়া তৰাৰ সাধু'**ত **'জেউতি'** নামৰ চৰিত্ৰটোৱে এই দিশে আগবাঢ়ি গৈ কৰুণ মৃত্যুক আঁকোৱালি লৈছে। অনুৰাধা শৰ্মা পূজাৰীৰ **'কাঞ্চনে'**ও নিজৰ আৰ্থিক দৈন্য দূৰ কৰিবলৈ নিকৃষ্ট কাম কৰিবলৈ গৈ জটিল মানসিক ৰোগৰ বলি হৈছে। কিন্তু মণিকুন্তলা ভট্টাচাৰ্যৰ **'মই ডেচডিম'না হ'ব খোজো'** উপন্যাসৰ **'নয়না'** এইক্ষেত্ৰত ব্যতিক্ৰম। তাই অভাৱী জীৱনৰ বহু সময় দুখেৰে পাৰ কৰিছে যদিও নিজৰ অভিনয় দক্ষতাৰে আৰ্থিকভাৱে স্বাৱলম্বী হৈ এক সচ্ছল জীৱনৰ অংশীদাৰ হৈ পৰিছে। তিনিওগৰাকী ঔপন্যাসিকৰ সৃষ্টিতে নাৰীচেতনাৰ সমধৰ্মী আৰু বিপৰীতধৰ্মী দিশসমূহ প্ৰতিভাত হৈ উঠিছে। সমধৰ্মী অথবা

বিপৰীতধৰ্মী যিয়েই নহওক কিয়, আটাইবোৰ চৰিত্ৰই কিন্তু আমি প্ৰতিদিনে দেখি থকা, হয়তো আমাৰ নিজৰ মাজতে সুপ্ত হৈ থকা চেতনাৰ স্বাক্ষৰযুক্ত চৰিত্ৰ, সেই সত্য প্ৰকাশত ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্য প্ৰায় একেই চিন্তা একে ভাবনাৰে সমৃদ্ধ যেন বোধ জন্মে।

**মাতৃত্ববোধ আৰু বাৎসল্য চেতনা ঃ**

সন্তানৰ প্ৰতি থকা মায়া-মমতা নাৰীচেতনাৰ আন এক সংযুতি। প্ৰতিগৰাকী নাৰীৰ অন্তৰতে সন্তানবৎসলতাৰ গুণ বিৰাজমান। ৰীতা চৌধুৰীৰ **'দেওলাংখুই'** উপন্যাসত দেখা যায় **চন্দ্ৰপ্ৰভা** ইমান এক ডাঙৰ সংকটৰ সন্মুখীন হৈছে যদিও 'অৰিমত্ত' গৰ্ভত থকাৰ বাবেই তেওঁ আত্মহত্যা কৰাৰপৰা বিৰত হৈছে। নাতি, পৰিনাতি আদিৰ প্ৰতি থকা তেওঁৰ মৰম-চেনেহৰ গুণটোৱে সন্তানৰ প্ৰতি মাতৃৰ স্বাভাৱিক ভালপোৱাৰ পোষকতা কৰে। চৌধুৰীৰ **'অদিতি'**য়েও দুজনীকৈ ছোৱালী তুলি লৈ নিজৰ মমতাৰ চিনাকি দিছে। 'ৰাজীৱ ঈশ্বৰ'ৰ মন্দিৰাই নিজৰ অন্তৰত থকা গভীৰ মমত্ববোধৰ বাবেই বিবাহপূৰ্ব সন্তানক বিচাৰি হাবাথুৰি খাইছে। মাত্ৰ চৈধ্য বছৰ বয়সতে গৃহ শিক্ষকৰ লগত দৈহিক কামনা-বাসনাত লিপ্ত হৈ মন্দিৰাই এটি সন্তান জন্ম দিছে। সেই সময়ত তাই মাতৃত্ব কি বুজি নাপাইছিল। কিন্তু তাইৰ বুকুৰ ভিতৰত শিশুটিৰ কান্দোনটো চিৰদিনৰ বাবে ৰৈ গৈছিল। মন্দিৰা বুজা-নুবুজাৰ দোমোজাত অৱতৰণ কৰিলেও সেয়াও তাইৰ মনত চিৰকাল প্ৰৱাহিত হৈ থকা মমতাৰে পৰিচায়ক। অভিনৱ গাত থকাৰ সময়তহে প্ৰকৃতাৰ্থত 'সন্তান' নামৰ শব্দটোৰ লগত তাইৰ ভাল পৰিচয় ঘটিছিল।

"কি শক্তিশালী এই সন্তান নামৰ শব্দটো।

কি শক্তিশালী!

এই শব্দটোৰ পথানত মাকবোৰে ঢালি দিয়ে প্ৰাণৰ অংশ। ঢালি দিয়ে তেজ-অস্থি-মজ্জা-চকুৰ টোপনি, বুকুৰ-ৰস, জীৱনীশক্তি, আয়ুস, সকলোবোৰ। নিজৰ গৰ্ভত ঠাই দি দেহৰ মাটি-পানীৰে পুষ্ট কৰি, বীজক কিশলয় কৰি নমাই থয় পৃথিৱীত। কি অনিৰ্বচনীয় মমতা সনাসনি হৈ আছে এই শব্দটোৰ গাত।

বিগত ওঠৰ বছৰত সেই শক্তিশালী মমতাক প্ৰতি মুহূৰ্ততে অনুভৱ কৰি আহিছে মন্দিৰাই।

অভিনৱৰ যেতিয়া জন্মই হোৱা নাছিল, তেতিয়াও মন্দিৰাই অনুভৱ কৰিছিল সন্তান নামৰ শব্দটোৰ লগত মিহলি হৈ থকা মমতাক। ক্ৰমে ক্ৰমে স্ফীত হৈ অহা পেটত হাত বুলাই তাই বাহিৰৰপৰাই অভিনৱক মৰম কৰিছিল।"[১]

মণিকুন্তলা ভট্টাচাৰ্যৰ অনন্যায়ো সন্তান বিচাৰে। বাহিৰৰ খেলপথাৰত খেলি থকা ল'ৰাবোৰক দেখা পাই তায়ো এটা সন্তানৰ মাক হ'ব বিচাৰে। যমুনাকো একমাত্ৰ পুত্ৰ সন্তানৰ মৃত্যুৱে বহু সময়ত নিজৰ ভাব জগতৰ পৰা বিচ্ছিন্ন কৰি তোলে।

চৌধুৰীৰ **'ৰাগ মালকোশ'**ৰ নায়িকাই যিদৰে দুয়োটা সন্তান ব'ৰ্ডিং স্কুলত পঢ়িবলৈ থোৱাৰ পিছত গভীৰ বিষাদবোধত ভুগিছে, ঠিক সেইদৰে ভট্টাচাৰ্যৰ **'অনুৰোধ'** উপন্যাসৰ **'নীলি'**য়েও দূৰৈত পঢ়ি থকা দুয়োটা সন্তানৰ অস্তিত্ব নাপাই গভীৰ নিঃসংগতাবোধক আঁকোৱালি লৈছে। অনুৰাধা শৰ্মা পূজাৰীৰ **'মেৰেঙেও'** নিজৰ সন্তানক দূৰৈত থৈছে। কিন্তু তাই **'মালা'** বা **'নীলি'**ৰ দৰে সন্তানৰ বাবে দুখ কৰি থকা নাই। ইয়াৰ কাৰণ হিচাপে অৱশ্যে ক'ব পাৰি যে মেৰেং হৈছে কৰ্মব্যস্ত নাৰী। নিজৰ সন্তানৰ প্ৰতি তেওঁৰ মমতা সদায় আছে। কিন্তু নিচেই আত্মীয়ৰ কাষত সিহঁতক থোৱাৰ বাবেই তাই নিশ্চিত হৈ জীৱন-যাপন কৰিবলৈ সক্ষম হৈছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ **'সন্ধ্যা'**ত সন্ধ্যাৰ শিশুটিয়েও মাতৃৰ দৰেই ভয়াৱহ ৰোগ এইড্‌ছৰ দ্বাৰা আক্ৰান্ত হোৱাত সন্ধ্যা দুখত ভাগি পৰিছে। **'এজন ঈশ্বৰৰ সন্ধানত'** উপন্যাসতো সন্তানৰ বাবে জীৱনৰ সকলো সুখ-ভোগ পৰিত্যাগ কৰা নাৰী এগৰাকীৰ কথা অনুৰাধা শৰ্মা পূজাৰীয়ে প্ৰতিবিম্বিত কৰিছে। পত্নী হিচাপে **মনোৰমাই** জ্ঞানেন্দ্ৰ গোস্বামীৰ পৰা মৰম-সন্মান একোৱেই নাপালে। স্বামীৰ মৰম অবিহনেও কেৱল সন্তানৰ মায়া-মোহতে এগৰাকী নাৰীয়ে গোটেই জীৱন কিদৰে পাৰ কৰি দিব পাৰে এই কথা উপন্যাসখনিত চিত্ৰিত হৈছে।

"বৰ নিশকতীয়া আছিলি সৰুতে তই, মোৰ অবিহনে দেউতাৰহঁতেও আনৰ হাতত তুলি দিবলৈ ভয় কৰিলে। ...তিনি বছৰীয়া হোৱালৈকে ময়ে থাকিলোঁ, এদিন ক'লোঁ দেউতাৰক, পেটৰ পোৱালি এৰি গাঁৱলৈ গুচি যাব লগা হ'লে আপোনঘাতী হ'ম ...দেউতাৰৰ দয়া হ'ল চাগৈ... এতিয়ালৈকে আছোঁ দেখোন, তই মা বুলিও মাতিছ... ইয়াতকৈ আৰু কি লাগে মোক?"[২]

**'এই সময় সেই সময়'**ৰ অদিতিয়ে কিন্তু **'কাজৰি'**ৰ বাবেই নিজৰ স্বামীৰ লগত মানসিক সংঘাতত লিপ্ত হৈছে। কাজৰিৰ এক সুনিশ্চিত ভৱিষ্যতৰ বাবে নিজৰ দাম্পত্য জীৱনৰ

মাদকতাখিনিকো অদিতিয়ে পৰিত্যাগ কৰিছে।

তিনিওগৰাকী ঔপন্যাসিকৰ নাৰী চৰিত্ৰসমূহে শক্তিশালী নাৰী শক্তি হিচাপে মূৰ দাঙি উঠিছে আৰু প্ৰত্যেকগৰাকীয়েই নিজৰ বা আনৰ সন্তানৰ প্ৰতি মোহিত হৈ সনাতন নাৰীৰ মাতৃত্বৰ মমতাক সাৱলীলভাৱে ব্যক্ত কৰিবলৈ সক্ষম হৈছে।

**সাংসাৰিক দায়িত্ববোধৰ চেতনা ঃ**

নাৰী অবিহনে এখন সংসাৰৰ পূৰ্ণতা কোনোকালেই সম্ভৱ নহয়। প্ৰেম আৰু কৰুণাৰ প্ৰতীক ৰূপে নাৰী চিৰদিনেই পুৰুষৰ বাবে প্ৰেৰণাৰ উৎস। প্ৰতিগৰাকী নাৰীয়েই এখন সুখী সংসাৰৰ সপোন দেখে। অৱশ্যে আমাৰ আলোচ্য ঔপন্যাসিক তিনিগৰাকীৰ আটাইবোৰ নাৰী চৰিত্ৰ সংসাৰৰ মায়াজালত আবদ্ধ নহয়। 'এই সময় সেই সময়'ৰ অদিতি, 'অৰুন্ধতী'ৰ অনন্যা, 'চাহেবপুৰাৰ বৰষুণ'ৰ বৰ্ষা আদি চৰিত্ৰসমূহে ইচ্ছা কৰা হ'লে এক সুখী সাংসাৰিক জীৱনৰ অংশীদাৰ হ'ব পাৰিলেহেঁতেন। কিন্তু নিজৰ ব্যক্তিত্বৰ সৈতে হোৱা তেওঁলোকৰ আদৰ্শৰ সংঘাতৰ বাবেই তেওঁলোক ইয়াৰ পৰা বিৰত হৈ ৰৈছে। জীৱনৰ অৰ্থ সকলোৰে বাবে একে নহয়। বা সকলোৱে জীৱনক একেধৰণে মূল্যাংকনো নকৰে। কেতিয়াবা কিছুসংখ্যক শিক্ষিতা নাৰীয়ে সংসাৰৰ সকলো বাধা-নিষেধ নেওচি মুক্ত জীৱন আদৰি লয়। কোনোবা শিক্ষিতা নাৰীয়েও স্ব-ইচ্ছাই বন্দিত্ব স্বীকাৰ কৰি লৈ পৰিয়ালৰ সুখ-শান্তিৰ কাৰণে নিজক বিলাই দি আনন্দ পায়। এই দুই শ্ৰেণীৰ নাৰীয়েই আমাৰ আলোচ্য উপন্যাসসমূহত বৰ্তমান। মণিকুন্তলা ভট্টাচাৰ্যৰ **'যমুনা'**, **'বৰদোৱানী'**, অনুৰাধা শৰ্মা পূজাৰীৰ **'এজন ঈশ্বৰৰ সন্ধানত'** উপন্যাসৰ **মনোৰমা**, ৰীতা চৌধুৰীৰ **'ৰাজীৱ ঈশ্বৰ'ৰ মন্দিৰা, 'ৰাগ মালকোশ'ৰ মালা** আদি চৰিত্ৰসমূহ দ্বিতীয় শ্ৰেণীৰ।

যমুনাই স্বামী আৰু সন্তানৰ অকাল বিয়োগতো হাৰ নামানি নিজৰ সংসাৰখন জীপাল কৰি তুলিবলৈ ড্ৰাইভাৰ ৰঞ্জিতৰ সদ্যোজাত মাতৃহীন শিশুটিক তুলি-তালি ডাঙৰ-দীঘল কৰিবলৈ সংকল্পবদ্ধ হৈছে। **'বৰদোৱানী'**য়েও সতিনী ৰেণুমাইৰ সন্তান দুটাক ভাল মানুহ কৰি গঢ়ি তুলিবলৈ অশেষ চেষ্টা কৰিছে।

অনুৰাধা শৰ্মা-পূজাৰীৰ **'এজন ঈশ্বৰৰ সন্ধানত'** নামৰ উপন্যাসখনত **'মনোৰমা'** নামৰ চৰিত্ৰটিয়ে পত্নী হিচাপে সামাজিক স্বীকৃতি লাভ নকৰিলেও সংসাৰৰ সকলোখিনি কামেই নিজৰ

দায়িত্ব সহকাৰে পালন কৰিছে। একেদৰেই ৰীতা চৌধুৰীৰ **'ৰাজীৱ ঈশ্বৰ'**ৰ মন্দিৰা আৰু **'ৰাগ মালকোশ'**ৰ মালাই উচ্চপদস্থ চৰকাৰী চাকৰিয়ালৰ পত্নী ৰূপে নিজৰ পৰিচয় দি সুখী জীৱন-যাপন কৰিছে। পৰম্পৰাগত নাৰীৰ মূল্যবোধেৰে পৰিচালিত হৈ এওঁলোকে সাংসাৰিক জীৱনৰ সকলো দিশ সুচাৰুৰূপে চলাই নিছে আৰু নিজৰ দায়িত্ব তথা কৰণীয়খিনিও নিয়াৰিকৈ পালন কৰিছে। নিজৰ সংসাৰৰ লগতে ঘৰখনো সুন্দৰ তথা পৰিপাটিকৈ সজাই-পৰাই ৰখাত এওঁলোক পাকৈত। নিজৰ পিতৃ-মাতৃয়ে ঠিক কৰি দিয়া পাত্ৰৰ লগতে এওঁলোক বিবাহপাশত আবদ্ধ হৈছে। অৱশ্যে এই নাৰীসকল পুৰুষতান্ত্ৰিক সমাজৰ হাতোৰাত ক্ষত-বিক্ষত নহয়। প্ৰতিগৰাকী ঔপন্যাসিকেই তেওঁলোকৰ এই নাৰী চৰিত্ৰসমূহক স্বতন্ত্ৰতাৰ স্বাক্ষৰ ৰূপত অংকন কৰিছে। এই নাৰী চৰিত্ৰসমূহ নিজ সংজ্ঞা আৰু দৃঢ়তাৰ বলত স্বাধীনভাৱে প্ৰস্ফুটিত হৈছে। বহু সময়ত এই চৰিত্ৰসমূহে সাংসাৰিক দায়িত্ব পালন কৰিবলৈ যাওঁতে নানা দ্বন্দ্বৰ সন্মুখীন হৈছে যদিও অতি ধৈৰ্য সহকাৰে, কৌশলপূৰ্ণতাৰে তেওঁলোকে এই হেঙাৰবোৰ অনায়াসে পাৰ কৰিছে। তিনিওগৰাকী ঔপন্যাসিকৰ নিৰ্বাচিত উপন্যাসসমগ্ৰ অধ্যয়ন কৰাৰ পিছত ভাব হয় ভাৰতবৰ্ষৰ দুখনকৈ মহাকাব্যত বৰ্ণিত মুখ্য নাৰী চৰিত্ৰৰ যেন পুনৰনিৰ্মাণহে হৈছে। তিনিওগৰাকী ঔপন্যাসিকৰে নাৰী চৰিত্ৰসমূহ এফালে যদি 'সীতা'ৰ দৰে পৰম্পৰাগত ভাৰতীয় নাৰীৰ স্নেহ, মমতা, কল্যাণকামী আদৰ্শৰ চেতনাৰে প্ৰোজ্জ্বল, একে সময়তে আকৌ তেওঁলোক 'দ্ৰৌপদী' চৰিত্ৰৰ তেজস্বীতাৰেও শক্তিমন্ত। তিনিওগৰাকী ঔপন্যাসিকৰে নাৰী চৰিত্ৰসমূহ সংসাৰ যাত্ৰাৰ চাকনৈয়াত, জীৱন আৰু সংগ্ৰামৰ যন্ত্ৰণাত সময়ে সময়ে পিষ্ট হৈছে যদিও কোনো কাৰণতে তেওঁলোকে হাৰ মনা নাই। নাৰী চেতনাৰ এই সবল আৰু আশাবাদী দিশটোক তিনিওগৰাকী ঔপন্যাসিকে শক্তিশালীভাৱে বৰ্ণনা কৰিছে।

**প্ৰতিবাদী চেতনা ঃ**

ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ প্ৰায়বোৰ উপন্যাসতে নাৰী চৰিত্ৰসমূহৰ দ্বন্দ্ব আৰু সংঘাতৰ চিত্ৰ প্ৰতিফলিত হৈছে। ইয়াৰে কেতবোৰ চৰিত্ৰই মুখ ফুটাই এই সংঘাতৰ বিৰুদ্ধে সৰৱ প্ৰতিবাদ কৰিছে, কোনোৱে নীৰৱে নিজৰ কৰ্মৰ জৰিয়তে এই প্ৰতিবাদৰ উমান দিছে।

ৰীতা চৌধুৰীৰ **'নয়না, তৰালী, সুজাতা'** নামৰ উপন্যাস সংকলনটিত সন্নিৱিষ্ট **'তাই তেতিয়া সাৰে আছিল'** নামৰ উপন্যাসখনত ঘৰুৱা হিংসাৰ ৰোষত পৰি মানসিক চিকিৎসালয়ত ভৰ্তি হৈ থাকিও **'তৰালী'**য়ে কেইবাখনো গ্ৰন্থ ছদ্মনামত ৰচনা কৰি সমাজত নিজৰ স্থিতি দৃঢ় কৰিছে। তাই নিজৰ বিৰুদ্ধে হোৱা অন্যায়ৰ কোনোদিন প্ৰতিবাদ নকৰিলে। তাৰ পৰিৱৰ্তে নিজৰ সু-চিন্তা আৰু সু-কৰ্মৰে সমাজত নিজকে মজবুত ৰূপতহে প্ৰতিষ্ঠা কৰিলে।

মণিকুন্তলা ভট্টাচাৰ্যৰ **'বৰদোৱানী'**য়েও কোনোদিন তাইৰ বিৰুদ্ধে হোৱা অন্যায়ৰ প্ৰতিবাদ নকৰিলে। কিন্তু পুণ্যধৰে বিচৰা সময়ত তাই তাক দৈহিক সুখ দিয়াৰ পৰা বিৰত হৈ ৰৈছে। পুণ্যধৰৰ প্ৰতি তাইৰ মনত কোনো ক্ষোভ নাই। কিন্তু এটা সন্তানৰ বাবেই যি পৰিস্থিতিত পৰি হ'লেও যিহেতু পুণ্যধৰে দ্বিতীয় বিবাহ কৰিছে, সেয়েহে সি ইচ্ছা কৰাৰ সময়ত তাই ইয়াৰ বিৰুদ্ধে থিয় হৈ তাক ঠেলা মাৰি দিছে। নিজৰ সবল মানসিক স্থিতিৰ বাবেই বৰদোৱানীয়ে এনে কৰিবলৈ সক্ষম হৈছে। অথচ এই একে বৰদোৱানীয়েই পুণ্যধৰৰ দ্বিতীয় বিবাহৰ বাবে হোৱা যা-যোগাৰত মৌন হৈ ৰৈছে। ইয়াৰ বিপৰীতে **'চাহেবপুৰাৰ বৰষুণ'** উপন্যাসৰ **বৰ্ষাই** ভাবী স্বামীৰ পৰা বিবাহপূৰ্বেই লাভ কৰা অস্বাভাৱিক চুম্বন বা দৈহিক কামনা-বাসনাৰ আকাংক্ষাত চুপ হৈ ৰোৱা নাই। তাই ইয়াৰ তীব্ৰ প্ৰতিবাদো কৰিছে। আনকি তাই বিহাৰৰ এটি সৰু ষ্টেচনত মানুহৰ বাবে কাম কৰিবলৈ ৰৈ গৈছে। বিয়াখনো তাই নাকচ কৰিছে। কেইবাবছৰৰ প্ৰেমৰ সম্পৰ্কক তাই শেষ কৰি পেলাইছে। একেধৰণৰেই 'এই সময় সেই সময়'ৰ অদিতিয়েও আদৰ্শৰ সংঘাতৰ বাবে প্ৰেমিক তথা স্বামী চন্দনৰ লগত প্ৰচণ্ড বাক্‌যুদ্ধত লিপ্ত হৈছে। তাইৰো সংসাৰখন ভাগি গৈছে। **এনেধৰণৰ চৰিত্ৰৰ মাজত অফুৰন্ত সাহস পৰিলক্ষিত হয়। এওঁলোক বৰ্তমানৰ শিক্ষিত আৰু সচেতন নাৰী হৃদয়ৰ বাৰ্তাবাহক। স্বাধীনতাকামী নাৰীসত্তাৰ বিদ্ৰোহৰ প্ৰতীক।** বিশেষকৈ 'অদিতি'ৰ এগৰাকী গৃহিণীৰ পৰা কাৰ্যক্ষম আৰু উপাৰ্জনক্ষম ব্যক্তিলৈ উত্তৰণ ঘটিছে, যাৰ বাবে স্বামীৰপৰা দূৰ হৈ ৰৈও নিজকে পুৰুষৰ সমকক্ষ ব্যক্তি ৰূপে প্ৰতিষ্ঠিত কৰিছে। জীৱনক প্ৰত্যাহ্বান জনোৱাৰ সাহস থকাৰ বাবেই অদিতিৰ দৰে নাৰীবোৰ সাৰ্থক আৰু বলিষ্ঠ।

ইয়াৰ বিপৰীতে **'অৰুন্ধতী'ৰ অনন্যাই** উচ্চপদস্থ আৰক্ষী স্বামীৰপৰা শাৰীৰিক-মানসিক বহু অত্যাচাৰৰ বলি হৈও বহু বছৰ ধৰি প্ৰতিবাদ নকৰাকৈ ৰৈছে। পৰৱৰ্তী সময়ত তাইৰ স্বামীৰপৰা

বিচ্ছেদ হৈছে যদিও তাই ইয়াক সাধাৰণভাৱেই মানি লৈছে। অনন্যা ৰক্ষণশীল সমাজত ডাঙৰ-দীঘল হৈছে যদিও জীৱনৰ সত্যক তেওঁ বাস্তৱ দৃষ্টিভংগীৰে বিচাৰ কৰিছে। অনন্যা জীৱন-যৌৱন, সত্যত বিশ্বাসী নাৰী। সেয়েহে তাই জীৱনটোক নতুন ধৰণেৰে জুকিয়াই চাইছে আৰু পুনৰবাৰৰ বাবে বিবাহপাশত আবদ্ধ হৈছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ **'ৰাঁহী'** উপন্যাসৰ নয়নতৰাই অৱশ্যে ইয়াৰ বিপৰীতমুখী চৰিত্ৰকহে প্ৰতিনিধিত্ব কৰিছে। নাৰীৰ ইচ্ছা-অনিচ্ছা সদায় পুৰুষৰ দ্বাৰা বিবেচিত ধৰ্ম আৰু সংস্কাৰৰ হাতৰ মুঠিত আবদ্ধ। নয়নতৰাও এনে মুঠিতে আবদ্ধ নাৰী। ইয়াত নয়নতৰাক কেৱল ভোগৰ সামগ্ৰী হিচাপেই উপস্থাপন কৰা হৈছে। তাইতকৈ দুগুণ বয়সী ব্যক্তিলৈ তাইক বিয়া দিয়া হৈছে যদিও তাই চুপ হৈ ৰৈছে। বিপত্নীক স্বামীৰ পূৰ্ব পত্নীৰ সন্তানকেইটিৰো আদৰ-যত্ন লৈছে। পুৰুষপ্ৰধান সমাজত নাৰী স্বাধীনতাক সদায় উপেক্ষা কৰা হয়। কিন্তু তাই উগ্ৰবাদী নাৰী হিচাপে থিয় দিবলৈ সক্ষম হোৱা নাই। **নয়নতৰা সমাজৰ অৰ্থনৈতিক শোষণ, ব্যভিচাৰ, আৰু পংকিলতাৰ মাজেৰে আত্মপ্ৰকাশ কৰা নাৰী চৰিত্ৰ।**

তিনিওগৰাকী ঔপন্যাসিকৰ সকলোবোৰ নাৰী চৰিত্ৰই বিবাহৰ মাজেৰেহে জীৱনৰ পূৰ্ণতা আহে বুলি ভবা নাই। কাৰণ এই চৰিত্ৰবোৰৰ বেছিভাগেই আৰ্থিকভাৱে স্বাৱলম্বী। পুৰুষৰ সহায় অবিহনে এওঁলোকৰ জীৱন অচল নহয়। সেয়েহে এই নাৰীসমূহে নিজৰ স্বাধীন মন আৰু সত্তাৰ উপলব্ধি কৰিব পাৰে। কোনোবা উচ্ছৃংখল পুৰুষৰ নিষ্ঠুৰ আৰু অমানৱীয় ব্যৱহাৰত কোনোগৰাকী নাৰীৰ জীৱন দুৰ্বিসহ হৈ পৰিছে। কিন্তু তেওঁলোকৰ সকলোবোৰেই নমনীয় নহয়। কোনো কোনোৱে পুৰুষৰ এনে কাৰ্যৰ তীব্ৰ প্ৰতিবাদ কৰাৰ সাহস গোটাই লৈছে।

এইখিনিতে এটা কথা উল্লেখনীয় যে এওঁলোকৰ উপন্যাসসমূহত কেন্দ্ৰীয় পুৰুষ-নাৰীসকলৰ মাজত প্ৰায়ে মতবিৰোধ দেখা গৈছে যদিও সৰহসংখ্যক পুৰুষ চৰিত্ৰই নাৰীৰ প্ৰতি সহানুভুতিশীল ভূমিকাত অৱতীৰ্ণ হৈছে। নাৰীসকলক সময়ৰ লগত খাপ খুৱাই প্ৰগতিশীল ৰূপত চিত্ৰিত কৰা হৈছে।

**সৃষ্টিশীলতাৰ চেতনা ঃ**

নিৰ্বাচিত উপন্যাসসমূহ অধ্যয়নৰপৰা এটা কথা অনুধাৱন কৰিব পাৰি যে **বহু বাধা-বিঘিনি**

**নেওচা দি হ'লেও উপন্যাসসমূহৰ কেতবোৰ নাৰী চৰিত্ৰই নিজৰ সৃষ্টিশীল মনবোৰক পোহৰৰ বাটেদি আগুৱাই লৈ গৈছে।** এওঁলোকৰ লেখাত পাৰিবাৰিক জীৱনত নাৰী কিমান তুচ্ছ, তেওঁলোকক পুৰুষে কেনেকৈ নিগ্ৰহ কৰে, ধূৰ্ত পুৰুষৰ কবলত পৰি তেওঁলোক কেনেকৈ অসহায়া-আশ্ৰয়হীনা হৈ পৰে, অতি সৰু কথাতে পুৰুষে নাৰীক প্ৰহাৰ কৰি কেনেকৈ নিজৰ ক্ষমতা প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰে এনে বহুতো চিত্ৰৰ সমাহাৰ ঘটিছে। পুৰুষ সমাজৰ অবিবেচিত আৰু একপক্ষীয় মন্তব্যবোৰে নাৰী সমাজৰ প্ৰতি এক বৃহৎ অন্যায়ৰ সূচনা কৰিছে। ইয়াৰ ফলস্বৰূপে অলেখ নাৰীৰ জীৱন দুৰ্বিসহ আৰু অভিশপ্ত হৈ উঠিছে।

"জনা যায় খ্ৰীষ্টানমতে পৃথিৱীৰ প্ৰথম নাৰী 'ইভক' অজান বৃক্ষৰ ফল খোৱাৰ অপৰাধত ভগৱানে অভিশাপ দিলে এইবুলি যে 'সন্তান জন্ম হোৱাৰ সময়ত তুমি অশেষ কষ্ট আৰু যন্ত্ৰণা অনুভৱ কৰিবা'। সেই অভিশাপ পৃথিৱীৰ নাৰীয়ে মূৰ পাতি গ্ৰহণ কৰিলে। গ্ৰীক পুৰাণৰ মতে, পেণ্ডাৰা অৰ্থাৎ পৃথিৱীৰ প্ৰথম নাৰীগৰাকীয়ে আছিল সৰ্বনশীয়া। তেৱেঁই পৃথিৱীৰ সকলো দুখ আৰু অশান্তিৰ মূল।"[৩]

বিভিন্ন ভাৰতীয় ধৰ্ম শাস্ত্ৰতো এনে বহুত কথা, কাহিনী, উপাখ্যানাদি আছে— যাৰ দ্বাৰা নাৰী জাতি হেয়প্ৰতিপন্ন হোৱাৰ লগতে তেওঁলোকৰ ব্যক্তিত্বও আঘাতপ্ৰাপ্ত হৈছে। অতি সীমিতসংখ্যক লেখাতহে নাৰীমনৰ প্ৰকৃত সুৰ ধ্বনিত হৈছে।

সাহিত্যই মানুহক শুদ্ধ পথৰ সন্ধান দিয়া উচিত। সাহিত্যইহে সমাজৰ যিবোৰ পুৰণিকলীয়া নীতি-নিয়মে মহিলাক যুগ-যুগান্তৰৰ পৰা শৃংখলিত কৰি ৰাখিছে, সেইবোৰৰ বৰ্তমানৰ মূল্যৰ লগত সংযোগ ঘটাব পাৰিব লাগিব। তেতিয়াহে সাহিত্যৰ উদ্দেশ্য সফলপ্ৰণোদিত হ'ব।

বহু সময়ত দেখা যায় আমাৰ সমাজত নাৰীৰ ইচ্ছা-আকাংক্ষাক কোনো ক্ষেত্ৰতে গুৰুত্ব দিয়া নহয়। আনকি তেওঁলোকৰ প্ৰতিভাসমূহৰ বিকাশৰ পথতো নানাধৰণৰ বাধা-নিষেধ আৰোপ কৰা হয়। ইয়াৰ ফলশ্ৰুতিত প্ৰকাশৰ বাট নেদেখি বহুতো প্ৰতিভা মৃত্যুমুখত পৰে। কিন্তু সেয়ে হ'লেও **নানা বাধাৰ মাজতো নাৰীয়ে নিজৰ সৃষ্টিশীলতাৰে নিজকে সুকীয়া ব্যক্তিত্বসম্পন্ন নাৰী হিচাপে গঢ়ি তুলিবলৈ বহুক্ষেত্ৰতে সক্ষম হ'ব পাৰে আৰু বিভিন্ন হেঙাৰ হেলাৰঙে পাৰ কৰিব পাৰে।** এই প্ৰসংগত বিখ্যাত সাহিত্যিক ভাৰ্জিনিয়া উল্‌ফৰ মন্তব্য উল্লেখযোগ্য।

"In the past, the virtue of women's writing often lay in its divine

spontaneity, like that of the blackbird's song or the thrush's. It was untaught; it was from the heart. But it was also and much more often, chattering and garrulous– mere talk spilt over paper and left to dry in pools and blots. In future, granted time and books and a little space in the house for herself, literature will become for women, as for men, an art to be studied. Women's gift will be trained and strengthened. The novel will cease to be dumping-ground for the personal emotions. It will become, more than at present, a work of art like any other, and its resources and its limitation will be explored.

From this it is short step to the practice of the sophisticated arts, hitherto so little practised by women– to the writing of essays and criticism, of history and biography. And that, too, if we are considering the novel, will be or advantage; for besides improving the quality of the novel itself, it will draw off the aliens who have been attracted to fiction by its accessibility while their hearts by elsewhere. Thus will the novel be rid of those encrescences of history and fact which, in our time, have made it so shapeless.

So, if we may prophesy, women in time to come will write fewer novels, but better novels; and not novels only, but poetry and criticism and history. But in this, to be sure, one is looking ahead to that golden, that perhaps faboulous, ase when women will have what has so long been denied them– leisure and money, and a room to themselves."[8]

উল্ফৰ এই মন্তব্যখিনি হৈছে এনেধৰণৰ—

প্ৰাচীন কালৰেপৰা নাৰীসকলে নিজৰ মনৰ ভাৱ লিখিবলৈ চেষ্টা কৰি আহিছে। অৱশ্যে প্ৰাৰম্ভিক পৰ্যায়ৰ লেখাবোৰৰ প্ৰায়ভাগেই স্বতঃস্ফূৰ্ত আছিল। অৰ্থাৎ মনৰ ভাব আৰু অন্তৰৰ অনুভৱবোৰৰ কোনো বস্তুনিষ্ঠ বিশ্লেষণ নকৰাকৈ বা কোনো পদ্ধতিগত ব্যৱস্থাৰ আলম নোহোৱাকৈ তেওঁলোকে কেৱল লিখিহে গৈছিল। সেয়েহে এই লেখাবোৰক প্ৰকৃতাৰ্থত উপন্যাস বা সাহিত্যৰ অন্যান্য শাখাৰ উৎকৃষ্ট উদাহৰণ বুলি ক'ব নোৱাৰি। কিন্তু এই লেখাবোৰে নাৰীক সাহিত্যৰ জগতখনিত প্ৰণালীবদ্ধভাৱে মনৰ ভাব প্ৰকাশ কৰাৰ ক্ষেত্ৰত দিক্‌নিৰ্ণায়কৰ ভূমিকা গ্ৰহণ কৰিলে

আৰু নাৰীসকলে সাহিত্যৰ বিভিন্ন শাখা-উপশাখাত নিজৰ প্ৰতিভা বিকাশৰ দক্ষতা অৰ্জন কৰিলে। পুৰুষসৃষ্ট সাহিত্যকৰ্মৰ লগত সমানে ফেৰ মাৰিবলৈ নাৰীসকল ক্ৰমাৎ সক্ষম হ'ল আৰু ইয়াৰ ফলস্বৰূপেই নাৰীয়ে নিজৰ প্ৰতিভাৰ বিকাশৰ লগতে প্ৰিয় বিষয়ত মনোনিৱেশৰ বাবে অৱকাশ পাইছে, আৰ্থিকভাৱে আত্মনিৰ্ভৰশীল হৈছে আৰু নিজৰ বাবে নিৰ্দিষ্ট স্থান নিৰ্ণয় কৰিব পাৰিছে।

**ভাৰ্জিনিয়া উল্‌ফৰ এনে মন্তব্য নাৰীৰ অফুৰন্ত প্ৰেৰণা স্বৰূপ।**

ৰীতা চৌধুৰীৰ **'মায়াবৃত্ত'ৰ 'নীৰা'** সৰুৰেপৰাই সৃষ্টিশীল মনৰ গৰাকী। কিন্তু বাধ্যত পৰি তেওঁ জীৱনৰ ভালপোৱা সকলোবোৰ এদিন ত্যাগ কৰিছিল। বস্তুকেন্দ্ৰিক সভ্যতাই নাৰীক 'পুতি' হৈ থাকিবলৈ নিদিলে। কিন্তু সেয়ে হ'লেও শৈশৱৰ আকাশ, বতাহ, ফুল, চৰাই ভালপোৱা নীৰাৰ অন্তৰৰ এক সৃষ্টিকামী মনক কোনেও বাধা দিবলৈ সক্ষম নহ'ল। চৌধুৰীৰ 'ৰাগমালকোশ'ৰ 'মালা'য়ো সংসাৰৰ পাকচক্ৰত পৰি নিজৰ চেতাৰ বজোৱাৰ যি দক্ষতা সেয়া হেৰুৱাই পেলালে যদিও পুনৰ ন উদ্যমেৰে চেতাৰত হাত বুলাইছে। ঔপন্যাসিকৰ আন এখন উপন্যাস 'তাই তেতিয়া সাৰে আছিল'তো দেখা যায় যে 'তৰালী' নামৰ চৰিত্ৰটোৱে পৰিয়ালকেন্দ্ৰিক কুচক্ৰান্তৰ বলি হৈ মানসিক চিকিৎসালয়ৰ ৰোগী হিচাপে তাতে বসবাস কৰিব লগা হোৱা সত্বেও নিজক দুৰ্বল হ'বলৈ নিদি ছদ্মনামত কেইবাখনো গ্ৰন্থ ৰচনা কৰি সমাজত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

অনুৰাধা শৰ্মা পূজাৰীৰ **'কাঞ্চন'** নামৰ উপন্যাসখনিৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰ **কাঞ্চন** বিভিন্ন পৰিস্থিতিত পৰি হ'লেও কিদৰে কঠোৰ বাস্তৱৰ সন্মুখীন হৈছে— এই কথা ব্যক্ত হৈছে। **'চাহেবপুৰাৰ বৰষুণ'ৰ বৰ্ষা হৈছে সাহসী আৰু স্পষ্টবাদী নাৰীৰ অন্যতম প্ৰতীক।** তাই মাত্ৰ যোল্লদিনৰ পিছত হ'বলগীয়া নিজৰ বিয়াখন নাকচ কৰি সমাজৰ হিতৰ হকে কাম কৰিবলৈ আগবাঢ়ি গৈছে। আনকি তাইৰ হৃদয়ত প্ৰেমৰ উক্‌মুকনি তোলা প্ৰেমিকজনৰ জঘন্য হত্যাকাণ্ডতো নিজকে শেষ কৰি নিদি জনহিতাৰ্থে নিজৰ জীৱন উছৰ্গা কৰিছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ **'অৰুন্ধতী'ৰ 'অনন্যা'**ও বহু সময়ত মানসিক ছাপৰ বলি হৈছে যদিও তাই হাৰ মনা নাই। তাই হাতত কলম তুলি লৈছে। মাতৃৰ অকাল বিয়োগ আৰু পিতৃৰ আন নাৰীৰ সৈতে হোৱা অবৈধ সম্পৰ্কত অত্যন্ত ব্যথিত হোৱা **'মই ডেচ্‌ডিম'না হ'ব খোজো'** উপন্যাসৰ **'নয়না'**য়ো ইমান দুখৰ মাজতো নিজৰ অভিনয় প্ৰতিভাৰে জীৱনটো সচ্ছল আৰু স্বাৱলম্বী ৰূপত গঢ়ি লৈছে। অনুৰূপভাৱেই **'যমুনা'** উপন্যাসৰ **'যমুনা'** নামৰ নাৰীগৰাকীয়েও জীৱনৰ গভীৰ

দুখবোধত একাত্ম হৈ নাথাকি নানান সামাজিক কামত নিজকে অংশীদাৰ কৰি লৈছে আৰু এক নতুন ভৱিষ্যতৰ দিশে খোজ পেলাইছে।

এই কেওগৰাকী ঔপন্যাসিকে নাৰী চৰিত্ৰসমূহৰ যোগেদি হতাশা, অস্থিৰতা আৰু লক্ষ্যহীনতা ত্যাগ কৰি নাৰী কিদৰে স্বাৱলম্বী আৰু আত্মনিৰ্ভৰশীল হ'ব লাগে এই কথা ব্যক্ত কৰিছে। এই নাৰী চৰিত্ৰবোৰ প্ৰচলিত মূল্যবোধৰ প্ৰতি প্ৰত্যাহ্বান স্বৰূপ। **অসাধাৰণ পাৰদৰ্শিতা আৰু গভীৰ মননশীলতাৰে নাৰীৰ অন্তৰ্দ্বন্দ্ব চিত্ৰিত কৰাত এই ঔপন্যাসিক তিনিগৰাকী সফল হৈছে।** বৰ্তমান সময়ৰ বেছিভাগ নাৰীয়েই শিক্ষা-দীক্ষাৰে উপযুক্ত হৈ আধুনিক সমাজত নিজস্ব ব্যক্তিত্বৰে উদ্ভাসিত হৈ পৰিছে। আমাৰ প্ৰস্তাৱিত তিনিওগৰাকী ঔপন্যাসিকৰ উপন্যাসত স্ত্ৰীসুলভ ঐক্য পৰিলক্ষিত হৈছে। কঠোৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈও এওঁলোকৰ দ্বাৰা চিত্ৰিত নাৰীসমূহে হাৰ নামানি নিজ নিজ সৃষ্টিশীলতাৰ পৰিচয় দাঙি ধৰিছে।

**ভিন্নসুৰী দৈহিক চেতনা ঃ**

**ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ কেইখনমান উপন্যাসত দৈহিক চেতনাৰ সূক্ষ্ম বিশ্লেষণ পৰিলক্ষিত হয়। ৰীতা চৌধুৰী আৰু অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসৰাজিত অৱশ্যে খোলাখুলিকৈ জৈৱিক কামনা-বাসনাৰ চিত্ৰণ মণিকুন্তলা ভট্টাচাৰ্যতকৈ কম।** চৌধুৰীৰ 'ৰাজীৱ ঈশ্বৰ'ৰ উপন্যাসত মন্দিৰাৰ লগত গৃহ শিক্ষকৰ মিলনৰ কথা কোৱা হৈছে যদিও ই স্বচ্ছ নহয়। অৱশ্যে 'দেওলাংখুই'ত খলাৰাণী গংগাৱতী আৰু অৰিমত্তৰ বিবাহপূৰ্ব মিলনৰ এক বৰ্ণনা প্ৰতিভাত হৈছে। অৱশ্যে এয়াও সীমিত পৰিসৰৰ।

"অৰিমত্তই দুহাতেৰে কান্ধত ধৰি থাকিয়েই গংগাৱতীলৈ কিছুসময় চাই থাকিল। তাৰ পিছত কোনো কথা নোকোৱাকৈ গংগাৱতীক বুকুৰ মাজলৈ চপাই আনিলে। গংগাৱতীৰ তিৰ্‌তিৰ্‌কৈ কঁপি থকা ওঁঠলৈ নামি আহিল অৰিমত্তৰ আৱেগসুপ্ত ওঁঠযোৰ। বান্ধ ভাঙি যোৱা মৰমত উটি গ'ল অৰিমত্ত আৰু গংগাৱতী।"[৫]

অনুৰাধা **শৰ্মা** পূজাৰীৰ **'কাঞ্চন'** উপন্যাসত **কাঞ্চনৰ** বিভিন্ন পুৰুষৰ সৈতে অনৈতিক কাৰ্যকলাপত জড়িত হোৱাৰ কথা উল্লেখ আছে যদিও এই বৰ্ণনাও সীমাৰ পৰিধিত আবদ্ধ। কাঞ্চনৰ ক্ষেত্ৰত দৈহিক প্ৰয়োজনৰ কাষত বিবেকৰ সুপ্তি লক্ষণীয়। বিবেকবৰ্জিত হৈ কেৱল এটা

সচ্ছল জীৱন যাপনৰ বাবেই কাঞ্চন পুৰুষৰ ভোগৰ সামগ্ৰী হৈ পৰিছে, যাৰ পৰিণাম শেহৰফালে ভয়াৱহ হৈ ধৰা দিছে। ৰীতা চৌধুৰীৰ 'পপীয়া তৰাৰ সাধু'ৰ 'জেউতি'ও তেনে চৰিত্ৰ।

ইয়াৰ বিপৰীতে মণিকুন্তলা ভট্টাচাৰ্যৰ কেইবাখনো উপন্যাসত মুক্ত যৌনতাৰ প্ৰসংগ উপস্থাপিত হৈছে। তেখেতৰ **'সন্ধ্যা'** উপন্যাসত **সন্ধ্যা**ৰ স্বামী পাৰ্থৰ যৌৱনকালৰ দুৰন্ত বিলাসিতাৰ চিত্ৰ অংকিত হৈছে। বিভিন্ন নাৰীৰ সৈতে শৰীৰৰ খেলা খেলি কিদৰে পাৰ্থ ভয়ংকৰ ব্যাধিৰ চিকাৰ হৈছে, লগতে পাৰ্থৰ পত্নী হোৱা সূত্ৰেই সন্ধ্যাও এই ৰোগৰ চিকাৰ হৈছে ইয়াৰ বৰ্ণনা আছে। **'মুক্তি'** উপন্যাসত **সমকামিতা**ৰ কথা বৰ্ণনা কৰা হৈছে। 'বৰদোৱানী'তো বৰদোৱানী আৰু পুণ্যধৰৰ দৈহিক মিলনৰ চিত্ৰণ দেখা পোৱা যায়। ভট্টাচাৰ্যৰ 'অনুৰোধ' উপন্যাসত স্ত্ৰী-পুৰুষৰ জৈৱিক কামনা-বাসনা তথা সম্ভোগৰ সূক্ষ্মাতিসূক্ষ্ম বৰ্ণনা আছে।

"নীলিয়ে তেওঁৰ ফালে হাত এখন মেলি দিছিল, তেওঁ কাষ চাপি আহিছিল, এখন আকাশ হৈ সাবটি ধৰিছিল সেউজীয়া পৃথিৱীক। পৃথিৱীয়ে উদঙাই দিছিল মসৃণ গ্ৰীৱা আৰু কৈছিল—

ঃ ইয়াত চুমা খোৱা।

তেওঁ নীলিৰ ডিঙিত চুমা খাইছিল। বাহুত পিন মাৰি পিন্ধা শাৰীৰ ভাঁজ বুকুৰ সামান্য তললৈ নমাই, তাতে আঙুলি থৈ আকৌ কৈছিল তাই—

ঃ ইয়াতো খোৱা।

তেওঁ অধীৰ-চঞ্চল হৈ উঠিছিল। নাৰীৰ বক্ষদেশ, নে পৃথিৱীৰ কোনো প্ৰাচীন সভ্যতাৰপৰা তুলি অনা নদীৰ উপত্যকা?

উন্মাদৰ দৰে ইফালে-সিফালে চুম্বন কৰি গ'ল তেওঁৰ প্ৰেমময়ীক। নীলিৰ অবিন্যস্ত সাজৰ প্ৰতি অমনোযোগী এই পুৰুষ আৰু ৰঘুপতি দাস হৈ থকা নাই, হৈ উঠিছে প্ৰেমিক। নাৰীক উপাসনা কৰা, পৃথিৱীৰ মাজত লীন যোৱা শাশ্বত প্ৰেমিক... চুম্বনৰ নদীৰ সোঁতত নিজকে উটুৱাই তেওঁ নীলিৰ ভৰিৰ পতাত ওঁঠ থৈছিল, আদৰেৰে তুলি লৈছিল ভৰিযুৰি তেওঁৰ হাতৰ তলুৱাত আৰু ক্ৰমাৎ সেইখন নদীৰেই ভটিয়নী সোঁতত আৰম্ভ কৰিছিল সাঁতুৰিবলৈ।

থৰথৰকৈ কঁপি উঠিছিল নীলিৰ জানু-জংঘা এজন নতুন পুৰুষৰ শৃংগাৰত। এই শৃংগাৰ ইমান প্ৰাচুৰ্যময় আছিল যে তাত এখন চিফনৰ শাৰী একেবাৰে তুচ্ছ হৈ পৰিছিল— নিজে নিজেই আঁতৰি গৈছিল সেই বস্ত্ৰ। মানৱ জীৱনৰ উৎসৰমুখৰ সেই পুৰাতন ৰহস্যলৈ ৰঘুপতি দাসে নিজেই

প্ৰৱেশ কৰিলেনে? নাঃ তেওঁ নাজানে। কিন্তু নীলিয়ে জানে... তাই যেন আজিয়েই সম্পূৰ্ণকৈ দিব প্ৰেমৰ অমল পাঠ।”[৬]

এগৰাকী নাৰীয়ে সকলো সময়তে কিছুমান সামাজিক ধাৰণাৰ বিৰুদ্ধে যুদ্ধ কৰি থাকিবলগীয়া হয়। **বহুক্ষেত্ৰত দেখা যায় পুৰুষৰ ক্ষেত্ৰত যেনেধৰণৰ যৌন আচৰণক ‘স্বাভাৱিক’ বুলি ধৰা হয়, নাৰীৰ ক্ষেত্ৰত সেই একেধৰণৰ আচৰণকে ‘নৈতিক স্খলন’ বুলি গৰিহণা দিয়া হয়। এগৰাকী নাৰীৰ বাবে নিজৰ শাৰীৰিক অভিজ্ঞতাবোৰৰ বিষয়ে খোলাখুলিকৈ লিখাটো জটিল যদিও মণিকুন্তলা ভট্টাচাৰ্যৰ ‘অনুৰোধ’ উপন্যাসত এজন পুৰুষৰ মাধ্যমেৰে হ’লেও নাৰীৰ অতৃপ্ত শাৰীৰিক অভিজ্ঞতা বা কামনাৰ কথা খোলাখুলিকৈ বৰ্ণিত হৈছে।**

**তিনিওগৰাকী ঔপন্যাসিকৰ উপন্যাসত প্ৰায়ে মানসিক নিঃসংগতাৰ বলি হোৱা নাৰী চৰিত্ৰৰ সংখ্যা অধিক। অৱশ্যে পৰিস্থিতিত পৰি তেওঁলোক কেতিয়াবা হালি গ’লেও নিজৰ ব্যক্তিত্ব আৰু উচ্চ চিন্তাধাৰাৰ গুণত পুনৰ ঠন ধৰি উঠিছে।**

স্বাধীনতাৰ পূৰ্বৰ সময়ছোৱাত মধ্যবিত্ত নাৰীসকলৰ জীৱন ৰক্ষণশীলতাৰ আৱৰ্তত বন্দী হৈ ৰৈছিল। সেই সময়ৰ উচ্চ শিক্ষাৰ জগতখনত প্ৰায়ে পুৰুষৰে প্ৰাধান্য আছিল। মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত সহশিক্ষা আৰম্ভ হৈছিল যদিও সেইবোৰত নাৰীৰ সহযোগিতাৰ অনুমতি অতিশয় নগণ্য আছিল। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে স্ত্ৰীশিক্ষাৰ প্ৰচাৰ হোৱাত শিক্ষা-সাহিত্য-সংস্কৃতি এই সকলোবোৰ দিশতে নাৰীসকলৰ সচেতনতা বৃদ্ধি পাবলৈ ধৰিলে। বিভিন্ন সাহিত্যৰ যোগেদি সাহিত্যিকসকলে নাৰীৰ এই নব্য চেতনাৰ উন্মেষ ঘটাবলৈ আৰম্ভ কৰিলে।

**ৰীতা চৌধুৰী, মণিকুন্তলা ভট্টাচাৰ্য, অনুৰাধা শৰ্মা পূজাৰীৰ পূৰ্বে মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰীচেতনাৰ বিভিন্ন দিশ পোহৰলৈ আহিছে। গোস্বামীয়ে ‘দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা’ত ‘সৰু গহেনী’ আৰু ‘গিৰিবালা’ৰ চৰিত্ৰৰ মাজেৰে সামাজিক ভণ্ডামি আৰু কু-সংস্কাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। ‘মামৰে ধৰা তৰোৱাল’ত তেওঁ নাৰীৰ দুইধৰণৰ তাড়নাৰ কথা ব্যক্ত কৰিছে— পেটৰ ক্ষুধা আৰু যৌন ক্ষুধা।**

নিৰ্বাচিত ঔপন্যাসিকত্ৰয়ৰ উপন্যাসসমূহত নাৰীচেতনাৰ যিবোৰ দিশ উদ্ভাসিত হৈছে তাৰ প্ৰধান বক্তব্য বিষয়ৰাজিৰ কিছু পৰিমাণে মিল থাকিলেও ইয়াৰ বৰ্ণনাশৈলীৰ পাৰ্থক্য আছে। নাৰীচেতনাৰ গুৰুত্বপূৰ্ণ দিশবোৰক আলোচনা কৰা ধৰণেৰেই তেওঁলোকে নিজ নিজ উপন্যাসসমূহত

তুলি ধৰিছে। এওঁলোকে নাৰী সম্পৰ্কে চিৰকালৰপৰা প্ৰৱাহিত হৈ থকা কিছুমান সংজ্ঞাক সম্পূৰ্ণৰূপে মষিমূৰ কৰি নাৰীক নতুন ৰূপত চোৱাৰ পক্ষপাতী। **বিষাদগ্ৰস্ত মানসিকতা, ৰোমাণ্টিক ভাৱপ্ৰৱণতা, মূল্যবোধৰ সংকট আদিবোৰ হৈছে নাৰীচেতনা সৃষ্টিৰ প্ৰধান কাৰক।** এই সত্যও আলোচ্য উপন্যাসসমূহৰ পৰা অনুধাৱন কৰিব পাৰি। গৱেষণা কাৰ্যৰ আৰম্ভণিতে আমি বৰ্তমান পৰ্যন্ত উপন্যাস ৰচনা কৰি থকা তিনিওগৰাকী ঔপন্যাসিকৰে কাষ চাপি নাৰীচেতনা সম্পৰ্কে ব্যক্তিগতভাৱে তেখেতসকলৰ অনুভৱ জানিব বিচাৰিছিলোঁ। এই প্ৰসংগত তেওঁলোকে আগবঢ়োৱা নিজস্ব জীৱন দৰ্শনৰ কিছু অভিমত জানিবলৈ আমি সক্ষম হৈছোঁ।

একবিংশ শতিকাৰ অসমীয়া উপন্যাসত নাৰীচেতনা বিষয়ৰ আলোচনাত ভাৰতীয় প্ৰেক্ষাপট সম্পৰ্কেও কিছু কথা আলোচনা কৰা দৰকাৰ। গৱেষণা গ্ৰন্থৰ কলেৱৰে বৃহৎ আলোচনাৰ সুযোগ নিদিলেও এইখিনিৰে ইংৰাজী, হিন্দী, বাংলা আৰু উড়িয়া সাহিত্যত প্ৰাপ্ত মাত্ৰ দুখনমান উপন্যাসৰ সামান্য আভাস দিব বিচাৰিছোঁ। এই আভাসৰ মুখ্য কাৰণ হ'ল সমগ্ৰ ভাৰতবৰ্ষতে নাৰী সাহিত্যিকসকলৰ কাপত নাৰীচেতনাৰ সাৰ্বজনীনতা সম্পৰ্কে প্ৰকাশ পোৱা উমৈহতীয়া অভিব্যক্তিৰ বিচাৰ কৰা। সাহিত্য সদায় সমস্যাৰ প্ৰতিফলক। সমাজত যি চলি থাকে সাহিত্যিকসকলে তাকে জুমুঠি কৰি লৈ নানান অংগশোভাৰে সাহিত্য নিৰ্মাণ কৰে। অসমৰ লগত চুবুৰীয়া বংগ, উড়িয়া, বিহাৰ আদি ৰাজ্যকে ধৰি সমগ্ৰ ভাৰতবৰ্ষতে নাৰীচেতনাৰ ক্ষেত্ৰত একেই ধ্বনি একেই সুৰ অনুৰণিত হয়। নিৰ্বাচিত কেইগৰাকীমান ভাৰতীয় ঔপন্যাসিকৰ উপন্যাসৰ সৈতে আমাৰ দ্বাৰা নিৰ্বাচিত ঔপন্যাসিকত্ৰয়ৰ নাৰীচেতনাৰ তুলনামূলক আলোচনা আগবঢ়ালে সেই কথা অধিক স্পষ্ট হ'ব।

ভিন্ন যুগৰ সাহিত্যত নাৰীয়ে ভিন্ন ৰূপত আত্মপ্ৰকাশ কৰা পৰিলক্ষিত হয়। প্ৰাচ্য-পাশ্চাত্যৰ বহু মনীষীয়ে নাৰী সম্পৰ্কে বহুতো পক্ষপাতিত্বমূলক কথাৰ অৱতাৰণা কৰিলেও সময়ৰ দ্ৰুত পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত নাৰী প্ৰমূল্যৰ পৰিৱৰ্তন ঘটিছে। এইক্ষেত্ৰত দেশী-বিদেশী নানান সাহিত্যিকৰ ভূমিকা অতুলনীয়। **নাৰীক এক শক্তিশালী ব্যক্তিসত্তা ৰূপে গঢ় দি তোলাত এই সাহিত্যিকসকলৰ বৰঙণি অপৰিসীম।** তেওঁলোকে নিজৰ সৃষ্টিৰাজিৰে নাৰীৰ বহিৰ্জগতৰ লগতে অন্তৰ্জগতৰো বিভিন্ন দিশক তন্ন তন্নকৈ জুকিয়াই চাই সেইবোৰৰ বিষয়ে আলোচনা কৰি নাৰীৰ উত্তৰণৰ দিশবোৰক আঙুলিয়াই দেখুৱাইছে। ইয়াৰ উপৰি পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ

ওপৰত বিভিন্ন সময়ত চলা অত্যাচাৰ, নিৰ্যাতন, শোষণ আদিৰ বিষয়েও এই সাহিত্যিকসকলে ৰেখাপাত কৰিছে। লগতে পৰম্পৰাগত হৈও বা কেতিয়াবা পৰম্পৰাৰ শিকলি ছিঙিও যে নাৰীয়ে নিজৰ চেতনাক জাগ্ৰত কৰিছে বিভিন্ন সাহিত্যিকৰ সৃষ্টিকৰ্মৰ জৰিয়তে এই বিষয়ে জ্ঞাত হ'ব পাৰি।

এইখিনিতে প্ৰাসংগিকভাৱে ইংৰাজী সাহিত্যৰ বিশিষ্ট লেখক **'অনিতা দেশাই'**ৰ নাম উল্লেখ কৰিব পাৰি। **দেশাইয়ে নাৰীৰ অন্তৰ্জগতৰ বিভিন্ন দিশ তেওঁৰ নাৰী চৰিত্ৰসমূহৰ জৰিয়তে ফুটাই তুলিছে। 'ফায়াৰ অন দ্য মাউণ্টেইন' (Fire on the Mountain), 'ক্ৰাই, দ্য পিকক (Cry, the Peacock), 'ভয়চেছ ইন দ্য চিটি' (Voices in the City), 'ক্লিয়েৰ লাইট অৱ ডে' (Clear Light of Day), 'ইন্ কাষ্ট'ডী' (In Custody), 'জাৰ্নি টু ইথাকা' (Journey to Ithaca), 'বাই বাই ব্লেকবাৰ্ড' (Bye-Bye Blackbird), 'ফাষ্টিং, ফিষ্টিং' (Fasting, Feasting)— এইকেইখন অনিতা দেশাইৰ বিশিষ্ট উপন্যাস।**

**বৈবাহিক জীৱনত বিফলতাৰ সন্মুখীন হৈ একাকীভাৱে জীৱন যাপন কৰিবলৈ যোৱা নাৰীয়েই অনিতা দেশাইৰ উপন্যাসত সৰহ।** তেওঁৰ **'Cry, the Peacock'**– নামৰ উপন্যাসখনত মানসিক বৈপৰীত্য থকা দুটা পুৰুষ আৰু নাৰী চৰিত্ৰ ক্ৰমে— **গৌতম আৰু মায়াৰ অসুখী বৈবাহিক জীৱনৰ কথা ব্যঞ্জিত হৈছে।** তেওঁলোকৰ কাজিয়াই ইমান চূড়ান্ত পৰ্যায় পাইছেগৈ যে মায়াই গৌতমক হত্যা কৰি নিজেও আত্মহত্যা কৰিছে। আমাৰ পূৰ্বৰ অধ্যায়বোৰত এনেধৰণৰ নাৰী চৰিত্ৰৰ সমাৱেশ নাই। অৱশ্যে ৰীতা চৌধুৰীৰ 'দেওলাংখুই'ত সুকোমলাই কৰা বিশ্বাসঘাতকতাৰ বাবে স্বামী জোঙালবলহুৰ হাতত প্ৰাণ বিসৰ্জন দিবলগীয়া হৈছে।

মানৱীয় প্ৰমূল্যহীন আৰু অৰ্থহীন সম্পৰ্কই কিদৰে ব্যক্তিৰ জীৱনলৈ দুৰ্বিসহ যন্ত্ৰণা কঢ়িয়াই আনে এই কথা অনিতা দেশাইৰ 'Voices in the City' নামৰ উপন্যাসখনিত বিবৃত হৈছে। **'নিৰোদ'** নামৰ এই উপন্যাসখনৰ প্ৰধান চৰিত্ৰটোৱে নিজ মাতৃৰ পৰপুৰুষৰ লগত থকা অনৈতিক সম্পৰ্কত ব্যতিব্যস্ত হোৱা পৰিলক্ষিত হয়। **উপন্যাসখনিত মনীষা আৰু জীৱনৰ অসম্পূৰ্ণ বৈবাহিক জীৱনক ৰেখাপাত কৰা হৈছে।** মধ্যবিত্তীয় জীৱনৰ পত্নী মনীষাৰ প্ৰতি গুৰুত্বহীনতাৰ বাবেই যৌথ পৰিয়ালৰ মাজত থাকিও মনীষা মানসিকভাৱে অকলশৰীয়া হৈ ৰৈছে আৰু চৰম হতাশাত ভুগি আত্মহত্যাৰ পথ বাছি লৈছে। **নিজৰ ইচ্ছামতে ওলাব-সোমাব নোৱাৰা, আৰ্থিক অসচ্ছলতা,**

**নিজৰ সমগ্ৰ ইচ্ছা-আকাংক্ষাক দমন কৰি ৰাখিব নোৱাৰাটোও তাইৰ আত্মহত্যাৰ কেতবোৰ প্ৰধান কাৰণ। আমাৰ আলোচ্য উপন্যাসবোৰত এনে নাৰী চৰিত্ৰৰ অভাৱ। সেয়ে হ'লেও মণিকুন্তলা ভট্টাচাৰ্যৰ 'বাঁহী' নামৰ উপন্যাসখনৰ 'নয়নতৰা'ই স্বামীৰ মৃত্যুত হতাশগ্ৰস্ত হৈ নাদত ডুব দি মৃত্যুমুখলৈ আগুৱাই গৈছে যদিও দেওৰেকৰ তৎপৰতাত উদ্ধাৰ পাইছে। ভট্টাচাৰ্যৰ 'যমুনা' উপন্যাসৰ 'যমুনা'য়ো স্বামী আৰু সন্তানৰ অকাল মৃত্যুত আত্মহত্যাৰ পথ বাছি লোৱাৰ কথা কোনো সময়ত চিন্তা কৰিলেও পৰৱৰ্তী সময়ত এইবোৰৰ চিন্তাৰপৰা দূৰ হৈছে।**

স্বামী-স্ত্ৰীৰ মাজত যোগাযোগৰ অভাৱ, স্বামীৰ প্ৰতি থকা অহেতুক শংকাই কিদৰে বৈবাহিক জীৱনৰ মধুৰতম সময়বোৰ নৰকসদৃশ কৰি তোলে এই কথা অমিতা দেশাইৰ **'Where Shall We Go This Summer'** উপন্যাসখনিত আলোচিত হৈছে। ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ প্ৰায় আটাইবোৰ উপন্যাসতে পুৰুষ-স্ত্ৰীৰ অসুখী আৰু মনোমালিন্যপূৰ্ণ বৈবাহিক জীৱনৰ বিভিন্ন দিশবোৰক ৰেখাপাত কৰা হৈছে। দেশাইৰ এই উপন্যাসখনিত বাস্তৱতাৰ পৰা দূৰৈত অৱস্থিতি গ্ৰহণ কৰি নিজৰ অপৰিপক্ক চিন্তাত ব্যস্ত হৈ থকা সীতা আৰু জীৱনৰ নানান পাঠেৰে পৰিপুষ্ট বাস্তৱবাদী ৰমনৰ কাহিনী অংকিত হৈছে। বাস্তৱ জীৱনৰ কঠিনতাৰপৰা দূৰ হৈ নাৰীৰ স্বাধীন চিন্তাৰে নিজকে সদাব্যস্ত কৰি ৰখা সীতাৰ এখন নিজস্ব মানসিক জগত আছে, য'ত ৰমনৰ দৰে ব্যক্তিৰ প্ৰৱেশৰ দ্বাৰ ৰুদ্ধ।

অনিতা দেশাইয়ে তেওঁৰ উপন্যাসসমূহত ভাৰতীয় সমাজত কন্যা-সন্তানৰ প্ৰতি থকা পিতৃ-মাতৃৰ চূড়ান্ত অৱহেলাৰ চিত্ৰ চিত্ৰিত কৰিছে। প্ৰচণ্ড ইচ্ছা থকা সত্ত্বেও এগৰাকী নাৰীয়ে কিদৰে নিজৰ সকলো সপোনক জলাঞ্জলি দি পৰিয়ালৰ কথামতেই জীৱন গঢ়িবলৈ বাধ্য হয়, আনকি নাৰী-পুৰুষৰ জটিল সাংসাৰিক সমস্যাৰ ভাৰ ব'ব নোৱাৰা বোজাও অকলে বহন কৰিবলগীয়া হয়— এই সকলোবোৰ কথা তেওঁৰ উপন্যাসসমূহৰ জৰিয়তে ঔপন্যাসিক দেশাইয়ে বৰ্ণনা কৰিছে।

'Anita Desai is such an Indian English Novelist who try to understand closely the predicament of her female characters. Her forte is the quest of sensibility and her writings expose inner realities and psychic echoes of her characters. The most recurrent themes in all her novels are the hazards and complexities of man-women relationships, the founding and nurturing of individuality and establishing of individualism. She presents the plight of

introspective, hypersensitive women in her novels."[৭]

**'Fasting, Feasting'**– এই উপন্যাসখনিৰ প্ৰধান নাৰী চৰিত্ৰ **'উমা'**ৰ প্ৰতি কোনেও সামান্যতম সহানুভূতিও প্ৰদৰ্শন কৰা পৰিলক্ষিত নহয়। ইয়াত 'উমা'ক **কৰ্মহীন** আৰু **মূল্যহীন** ৰূপত উপস্থাপন কৰা হৈছে। **ভাৰতীয় সমাজ-ব্যৱস্থাত 'উমা'ক নাৰীৰ প্ৰতি থকা চূড়ান্ত অপমানৰ প্ৰতীক ৰূপে গঢ়ি তোলা হৈছে।** ভায়েকৰ জন্মৰ পিছত তাক চোৱা-চিতাত মাকক সহায় কৰিবলৈ উমাক পঢ়া পৰ্যন্ত এৰুৱাই দিয়া হৈছে। পিতৃ-মাতৃৰ নিজৰ কন্যা সন্তানৰ প্ৰতি গ্ৰহণ কৰা এনে হঠকাৰী সিদ্ধান্তই উমাৰ জীৱনলৈ ঘোৰ অন্ধকাৰ নমাই আনিছে। ঔপন্যাসিকে এই উপন্যাসখনিৰ জৰিয়তে তথাকথিত উচ্চশিক্ষিত ভাৰতীয় সমাজত নাৰীৰ পুতৌজনক অৱস্থিতিৰ প্ৰতি সূক্ষ্মাতিসূক্ষ্ম দৃষ্টি নিক্ষেপ কৰিছে। সঁজাত বন্দী কৰি ৰখা পক্ষীৰ দৰেই এক জীৱন কটোৱা উমাই এইবোৰৰ মাজতেই নিজাকৈ এখন পৃথিৱী গঢ়ি তুলি সুখী হ'বলৈ যত্নপৰ হৈছে। নিজৰ হবি অক্ষুণ্ণ ৰাখি তাই ভিন্ন ধৰণৰ খ্ৰীষ্টমাছ কাৰ্ড সংগ্ৰহ কৰিছে, নিজে ভালপোৱা বিভিন্ন কবিতাপুথি অধ্যয়ন কৰিছে আৰু পিতৃ-মাতৃ ঘৰৰপৰা বাহিৰলৈ যোৱাৰ সময়ত ঘৰৰ বাৰাণ্ডাত নিৰলে বহি নানান চিন্তাত বুৰ গৈছে।

অতীব সুন্দৰী নোহোৱাৰ বাবেই তাইক চাবলৈ অহা ল'ৰাজনে তাইৰ ভনীয়েককহে পছন্দ কৰিছে। পৰৱৰ্তী সময়ত পিতৃ-মাতৃয়ে নিৰ্বাচন কৰি দিয়া পাত্ৰৰ লগত তাই বিবাহপাশত আবদ্ধ হ'ল যদিও সেই পুৰুষজনৰ দ্বাৰাও উমা ঠগবাজিৰ চিকাৰ হৈছে। কাৰণ সেই পুৰুষজন ইতিমধ্যেই চাৰিটা সন্তানৰ পিতৃ এজন বিবাহিত পুৰুষ। তেৰোঁ উমাক এৰি হঠাতে এদিন পূৰ্ব পত্নীৰ ওচৰলৈ চিৰদিনৰ বাবে গুচি গৈছে।

সৌন্দৰ্যপ্ৰিয়তা নাৰীৰ এক স্বাভাৱিক প্ৰবৃত্তি। উমা অবয়বত নিজৰ ভনীয়েকতকৈ অলপ দুৰ্বল যদিও তায়ো সুন্দৰ হ'ব বিচাৰে। তাইক চাবলৈ অহা ল'ৰাজনে কেৱল চেহেৰাৰ বাবেই তাইৰ পৰিৱৰ্তে ভনীয়েকক পছন্দ কৰাত তাই হীনমন্যতাত ভুগিছে। সমগ্ৰ জীৱনটোতেই নিজে ইচ্ছা কৰা ধৰণে একো কৰিবলৈ নোপোৱা উমাই সহৃদয় পাঠকৰ সহানুভূতি আদায় কৰিবলৈ সক্ষম হৈছে। কেৱল যৌতুক আৰু ব্যৱসায়ৰ স্বাৰ্থত উমাক বিয়া কৰোৱা তাইৰ স্বামীয়ে সুযোগ বুজি তাইক প্ৰৱঞ্চনা কৰিছে। দুখেৰে পৰিপূৰ্ণ জীৱন-পৰিক্ৰমাত উমা অস্থিৰ হৈ নাথাকি নিজৰ স্বভাৱজাত সৰলতা আৰু বুজনশীল মনেৰে পাঠকৰ হৃদয় জিনিবলৈ সক্ষম হৈছে।

**'Fasting, Feasting'– এই উপন্যাসখনৰ উমা পৰম্পৰাগত ভাৰতীয় নাৰীচেতনাৰে সমৃদ্ধ নাৰী। নিজৰ জীয়েকৰ প্ৰতি পিতৃ-মাতৃৰ কঠোৰতা আৰু স্বামী পৰিত্যক্তা নাৰীৰ প্ৰতি সমাজৰ সাধাৰণ চিন্তাধাৰাত উমাই নিজে ইচ্ছা কৰা ধৰণে এখোজো আগবঢ়াব পৰা নাই যদিও তাই প্ৰতিবাদো কৰিব পৰা নাই। ৰীতা চৌধুৰীৰ 'মায়াবৃত্ত' উপন্যাসৰ 'পুতি'ও প্ৰায় একেধৰণৰেই এটি নাৰী চৰিত্ৰ।** পুতি পিতৃ-মাতৃৰ আৰু পৰৱৰ্তী সময়ত স্বামীৰো শাসনৰ বান্ধোনত ইমান বেয়াকৈ বান্ধ খালে যে তাই নিজে ইচ্ছা কৰা মতে একো কৰিব নোৱাৰে। কিন্তু সেয়ে হ'লেও 'পুতি' 'উমা' নহয়। পুতিয়ে মুখ খুলি একোৰে প্ৰতিবাদ নাই কৰা যদিও আৰ্থিকভাৱে স্বাৱলম্বী হৈল দেৰিকৈ হ'লেও নিজে ভালপোৱা পৃথিৱীৰ অংশীদাৰ হ'বলৈ সক্ষম হৈছে। কিন্তু উমাই এনে কৰিবলৈ সমৰ্থ হোৱা নাই। একেদৰেই মণিকুন্তলা ভট্টাচাৰ্যৰ 'বাঁহী' উপন্যাসৰ 'নয়নতৰা'ও তেওঁৰ স্বামীৰ দ্বিতীয় পত্নী। অৱশ্যে তেওঁৰ স্বামীৰ প্ৰথমা পত্নীৰ মৃত্যু ঘটিছে। তথাপিও পূৰ্বতে এগৰাকীৰ লগত যে তেওঁৰ স্বামী বিবাহপাশত আবদ্ধ হৈছিল— এই কথাটোৱে কোনো ক্ষেত্ৰত নয়নতৰাক আমনি কৰে। একে পৰিস্থিতি উমাৰো। উমায়ো স্বামীৰ প্ৰথমা পত্নী আছে বুলি জানি শোকস্তব্ধ হৈ ৰৈছে। **নিজৰ স্বামীৰ আন নাৰীৰ প্ৰতি আসক্তি কোনো পত্নীয়ে সহজভাৱে ল'ব নোৱাৰে। লাগিলে সেইগৰাকী জীৱিতই হওক বা মৃতই হওক। নাৰীৰ স্বাভাৱিক ঈৰ্ষাত প্ৰতিগৰাকী নাৰীয়ে দগ্ধ। অনিতা দেশাইৰ 'উমা' বা মণিকুন্তলা ভট্টাচাৰ্যৰ 'নয়নতৰা'ও ইয়াৰ ব্যতিক্ৰম নহয়। দুয়োজনীৰে স্বামীৰ প্ৰথমা পত্নীয়ে কোনো সময়ত সিহঁতক ভাৰাক্ৰান্ত কৰি তোলে। অৱশ্যে উমা বা নয়নতৰা দুয়োজনীয়ে পতিব্ৰতা নাৰী। দুয়োৰেই স্বামীৰ পূৰ্বৰ সন্তানকো দুহাতেৰে আঁকোৱালি লৈ মাতৃত্বৰ উমেৰে জীপাল কৰিব পৰা মমতাময়ী নাৰী।**

**অনিতা দেশাইৰ 'Fasting, Feasting' আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ 'বাঁহী'— এই দুয়োখন উপন্যাসতে নাৰী চৰিত্ৰৰ অসহায়তা, আতংক, ভয়-সংকোচ, নীচাত্মিকাবোধ আদিৰ চিত্ৰ অংকিত হৈছে।** ইয়াত ভাৰতীয় নাৰীৰ দুৰ্বলতাৰ নানান দিশ চিত্ৰিত হৈছে। ইয়াৰ উপৰি পৰম্পৰাগত অন্ধ ৰীতি-নীতিৰ দোহাই দি নাৰীগৰাকীৰ মানসিক বিকাশৰ সকলো পথ বন্ধ কৰি নাৰীৰ ওপৰত স্বামীৰ আধিপত্যৰ নানান দিশো উপন্যাস দুখনত ব্যঞ্জিত হৈছে। **এই দুয়োখন উপন্যাসৰ 'উমা' আৰু 'নয়নতৰা'— সংকুচিত, পংগু, নীচাত্মিকা, হীনমন্যতা আৰু দুৰ্বলতাৰ বলি হোৱা নাৰীৰ প্ৰতীকী ৰূপ, যিয়ে ত্যাগ আৰু আত্মপীড়নকে নিজৰ জীৱন বুলি বিনা প্ৰতিবাদে মানি লৈছে।**

ইয়াৰ বিপৰীতে হিন্দী সাহিত্য জগতৰ এগৰাকী বিশিষ্ট ঔপন্যাসিক **'কৃষ্ণা সোবতী'**ৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহে কেতিয়াও নিজৰ বিৰুদ্ধে হোৱা অন্যায়-অবিচাৰবোৰ মানি লোৱা নাই। **স্ত্ৰী সমাজত আৰোপিত এলান্ধুকলীয়া নীতি-নিয়ম, বিধি-বিধানৰ বিৰুদ্ধে সহজ মানৱীয় স্বতন্ত্ৰতাৰ পক্ষত এইগৰাকী ঔপন্যাসিকে বহু প্ৰশ্নৰ সূচনা কৰিছে। এই প্ৰশ্নবোৰে নাৰীক সাংবিধানিক সমমৰ্যাদা প্ৰদান কৰাৰ দাবী তোলাৰ উপৰি ইয়াৰ অন্তৰালত নাৰীৰ এক মংগলদায়ক ভৱিষ্যতকো সাঙুৰি ৰাখিছে।**

**সোবতীৰ সাহিত্যৰ নাৰীচেতনাৰ পৃষ্ঠভূমি হৈছে সচৰাচৰ পৃথিৱীত প্ৰতিগৰাকী নাৰীয়ে বিচৰা নিজা পৰিচয়। সোবতীৰ দ্বাৰা সৃষ্ট প্ৰতিগৰাকী নাৰীয়েই সমাজ, আইন আৰু মানৱাধিকাৰৰ ক্ষেত্ৰত সমাজে লোৱা পদক্ষেপ দেখি প্ৰসন্ন হৈছে যদিও ব্যৱহাৰিক ৰূপত বিভিন্ন ক্ষেত্ৰত লাভ কৰা দুৰ্ব্যৱহাৰ দেখি জ্বলি-পকি উঠিছে। ৰীতা চৌধুৰীৰ 'এই সময় সেই সময়'ৰ 'অদিতি', অনুৰাধা শৰ্মা পূজাৰীৰ 'চাহেবপুৰাৰ বৰষুণ'ৰ 'বৰ্ষা', মণিকুন্তলা ভট্টাচাৰ্যৰ 'অৰুন্ধতী'ৰ 'অনন্যা'— এই আটাইকেইটা নাৰী চৰিত্ৰই পিতৃ-মাতৃ বা স্বামীৰ পৰিচয়ৰ পৰা দূৰ হৈ আহি নিজাকৈ পৰিচয় গঢ়ি তোলাৰ প্ৰতি আগ্ৰহী হোৱা পৰিলক্ষিত হৈছে।**

**'ডাৰ সে বিছুড়ী', 'মিত্ৰো মৰজানী', 'সুৰুযমুখী অন্ধেৰে কে', 'য়ে লড়কী', 'দিলোদানিশ'— সোবতীৰ কেইখনমান স্ত্ৰী চৰিত্ৰপ্ৰধান উপন্যাস। 'ডাৰ সে বিছুড়ী'** উপন্যাসৰ মুখ্য নাৰী চৰিত্ৰ **'পাশো'**ক পুৰুষনিয়ন্ত্ৰিত সমাজ-ব্যৱস্থাত এটা খেলনাৰ দৰে ব্যৱহাৰ কৰা হৈছে। প্ৰচুৰ ৰূপ-সৌন্দৰ্যৰ গৰাকী 'পাশো'ক সংৰক্ষণশীলতা আৰু সাৰ্থকতাৰ দৌৰত ইজনৰ হাতৰ পৰা সিজনলৈ সঁপি দিয়া হৈছে। অনুৰাধা শৰ্মা পূজাৰীৰ **'কাঞ্চন'** উপন্যাসৰ **'কাঞ্চন'** চৰিত্ৰটোলৈ দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে কেৱল ৰূপ-সৌন্দৰ্যৰ বাবেই তাই বহুজনৰ ভোগৰ সামগ্ৰী হৈ পৰিছে। প্ৰথমাৱস্থাত টকা-পইচা বা ক্ষমতাৰ লোভত তাই নিজেই বহুজনৰ শয্যাশায়ী হৈছে যদিও ভণ্ড প্ৰেমিকৰ স্বাৰ্থ পূৰণৰ বাবে তাইক ব্যৱহাৰ কৰাত তাই গণধৰ্ষণৰ বলি হৈছে।

**সোবতীৰ 'মিত্ৰো মৰজানী' উপন্যাসৰ প্ৰধান নাৰী চৰিত্ৰ 'মিত্ৰো'ৰ জৰিয়তে নাৰীৰ মুক্ত যৌনাকাংক্ষাৰ কথা মুকলিকৈ আলোচিত হৈছে। কেৱল হিন্দী সাহিত্যতে নহয়, বৰঞ্চ ভাৰতীয় সমাজৰ পৰম্পৰা আৰু মিছা আভিজাত্যৰ শিকলি ছিঙি প্ৰথমবাৰৰ বাবে নাৰীয়ে নিজৰ শাৰীৰিক সৌন্দৰ্যক লৈ এই উপন্যাসখনিত গৰ্বিত হোৱা পৰিলক্ষিত হৈছে।** লগতে এই উপন্যাসখনিৰ

প্ৰধান নাৰী চৰিত্ৰ 'মিত্ৰৌ'ই নিজৰ আত্মিক পৰিতৃপ্তি বিচাৰি পৰপুৰুষৰ লগত ইন্দ্ৰিয় সুখত নিমগ্ন হ'বলৈ মন মেলিছে। পুৰুষতান্ত্ৰিক সমাজ-ব্যৱস্থাত নিজৰ শৰীৰৰ তৃষ্ণা আৰু ভোক নিবাৰণৰ সকলো অধিকাৰ য'ত কেৱল পুৰুষজনকহে দিয়া হৈছে, তেনেক্ষেত্ৰত এগৰাকী নাৰী হৈও নিজৰ অপূৰ্ণ দৈহিক ভোকৰ কথা 'মিত্ৰৌ'ই লুক-ঢাক নকৰি সাহসেৰে নিজৰ মুখেৰেই ব্যক্ত কৰিছে।

"অব তুম্ হী বতাও জিঠানী, তুম জেইসা সত বল কাহাঁ সে পাওঁ লাওঁ? দেৱৰ তুম্হাৰা মেৰা ৰোগ নহী পহচানতা। বহুত হুআ, হফ্তে পখৱাড়ে... ঔৰ মেৰী ইস দেহ ইতনী প্যাসী হ্যে। ইতনী প্যাসী হ্যে কি মছলী-সী তড়পতী হ্যে।"[৮]

**মণিকুন্তলা ভট্টাচাৰ্যৰ 'অনুৰোধ' উপন্যাসৰ 'নীলি'ৰ চৰিত্ৰৰ সৈতে সোবতীৰ এই 'মিত্ৰৌ' চৰিত্ৰটিৰ অলেখ মিল আছে। এই দুয়োটা নাৰী চৰিত্ৰৰে ঐশ্বৰ্য-বিভূতি, আ-অলংকাৰ, টকা-পইচা বা সা-সম্পত্তিৰ প্ৰতি কোনোকালেই লোভ বা আগ্ৰহ নাই। কিন্তু নিজৰ অপূৰণীয় যৌনস্পৃহাৰ বাবে দুয়োজনীয়েই পৰপুৰুষৰ লগত যৌন মিলনৰ প্ৰতি আগ্ৰহী হৈছে।**

কৃষ্ণা সোবতীয়ে 'মিত্ৰৌ'ৰ চৰিত্ৰটিক অধিক প্ৰাণৱন্ত, উজ্জ্বল আৰু গতিশীল ৰূপত অংকিত কৰিছে। **অতীতৰ ৰক্ষণশীল ভাৰতীয় সমাজখনৰ পৰা বৰ্তমান আধুনিক নাৰী সমাজৰ মানসিকতা, সামাজিক অৱস্থা আৰু ৰীতি-নীতিৰ উত্তৰণ উপন্যাসখনিত প্ৰতিভাত হৈছে।** মানৱীয় প্ৰবৃত্তি আৰু সামাজিক ৰীতি-নীতিৰ দোমোজাত পৰি 'মিত্ৰৌ' দুৰ্বাৰ দ্বন্দ্বত ভুগিছে। তাইৰ জীৱনৰ দীঘল পথছোৱা দ্বন্দ্ব আৰু সংঘাতৰ কঠিন শিলেৰে নিৰ্মিত হৈছে। এই দ্বন্দ্ব জীৱনক বিলাসিতাৰ মাজেৰে উপভোগ কৰিব নোৱাৰাৰ দ্বন্দ্ব; এই দ্বন্দ্ব মিছা আভিজাত্যৰ দ্বন্দ্ব।

জীৱনত লাভ কৰা অনাদৰ, অৱহেলা আৰু উপহাসে 'মিত্ৰৌ'ৰ মনত যি দ্বন্দ্ব আৰু ক্ষোভৰ সৃষ্টি কৰিছে, সেয়াই ব্যংগবাণ হৈ নাৰীৰ গতানুগতিক জীৱনক বিদ্ধ কৰিছে। নানা অসুখ-অশান্তিৰে তাইৰ জীৱন পৰিক্ৰমা বেদনাক্লিষ্ট হ'লেও কোনো সময়ত তায়ো প্ৰেম আৰু স্নেহৰ মায়াজালত আবদ্ধ হৈছে। কেতিয়াবা তাই চকুলো টুকিছে, আকৌ কেতিয়াবা সেই চকুৰেই অগ্নিস্ফুলিংগ বিচ্ছুৰিত হৈছে। মণিকুন্তলা ভট্টাচাৰ্যৰ 'অনুৰোধ' উপন্যাসৰ নীলিয়ে সন্তানৰ অনুপস্থিতি বা স্বামীৰ দ্বাৰা উপেক্ষিতা হোৱাৰ পিছতো ইয়াৰ প্ৰতিবাদ কৰিব নোৱাৰি এক হতাশাগ্ৰস্ত জীৱন সাবটি লৈ হাস্পতালৰ বেডত থাকিবলগীয়া হৈছে। অৱশ্যে পৰৱৰ্তী সময়ত তাই পৰপুৰুষৰ লগত যৌন মিলনত লিপ্ত হৈ নিজৰ যৌনক্ষুধা বাৰণ কৰিছে। এনেদৰেই মিত্ৰৌও স্বামীৰ দ্বাৰা উপেক্ষিতা

আৰু অৱহেলিতা হোৱাৰ বাবেই তাইৰ যৌনজীৱন কোনো সময়ত কুৎসিত ভংগীলৈ ৰূপান্তৰিত হৈছে। নিজৰ অপূৰ্ণ যৌনচেতনাক জীৱনৰ এক অনাকাংক্ষিত সংঘাত হিচাপে মানি লৈ তাই অন্তৰ্দ্বন্দ্বত ভোগা পৰিলক্ষিত হৈছে।

কৃষ্ণা সোবতীৰ 'মিত্ৰো' বা মণিকুন্তলা ভট্টাচাৰ্যৰ 'নীলি' এই দুয়োগৰাকী নাৰীৰ মাজত থকা এটা সাদৃশ্য হ'ল দুয়োজনীয়ে পৰপুৰুষৰ লগত অনৈতিক কাৰ্যকলাপত লিপ্ত হৈছে যদিও সিহঁতে জটিলতাপূৰ্ণ জীৱন নিবিচাৰি স্বামীৰ লগতে থাকি সহজ-সৰলতাৰেই জীৱন-যাপন কৰিব খোজে। অৱশ্যে 'মিত্ৰো' 'নীলি'তকৈ অধিক সাহসী আৰু স্পষ্টবাদী। দুয়োগৰাকী ঔপন্যাসিকৰ দুয়োখন উপন্যাসতে নাৰীৰ জৈৱিক আশা-আকাংক্ষাৰ মূৰ্ত প্ৰকাশ ঘটিছে। ৰীতা চৌধুৰী আৰু অনুৰাধা শৰ্মা পূজাৰীৰ দুই-চাৰিখন উপন্যাসতো নাৰী-পুৰুষৰ দৈহিক মিলনৰ কথা বৰ্ণিত হ'লেও ইয়াক নামমাত্ৰ বৰ্ণনাৰ মাজতে আবদ্ধ কৰা হৈছে।

কৃষ্ণা সোবতীৰ **'সূৰুযমুখী অন্ধেৰে কে'**ৰ প্ৰধান নাৰী চৰিত্ৰ **'ৰত্তি'**ৰ কাহিনী অংকিত হৈছে, যি নিজৰ **শৈশৱ কালতে বলাৎকাৰৰ বলি হৈছে**। কিন্তু তাই হাৰ মানি যোৱা নাই। শৈশৱতে ইমান এটা জঘন্য অপৰাধৰ বলি হোৱা ৰত্তিয়ে বাৰে বাৰে নানান অপমানৰ সন্মুখীন হ'লেও মনে মনে নাথাকি এই অন্যায়ৰ বিৰুদ্ধে মাত মাতিছে। অনুৰাধা শৰ্মা পূজাৰীৰ **'চাহেব পুৰাৰ বৰষুণ'**তো শৈশৱৰ ডেওনা পাৰ হোৱা **'তিত্‌লী'**ৰ কথা উপস্থাপিত হৈছে। তিত্‌লী গাঁৱৰে এটা লম্পটৰ হাতত **ধৰ্ষিতা হৈ হত্যাৰ বলি হৈছে**।

সোবতীৰ **'য়ে লড়কী'** উপন্যাসত মৃত্যুশয্যাত থকা মাক আৰু অবিবাহিত জীয়েকৰ পৰস্পৰ বাৰ্তালাপৰ কথা অংকিত হৈছে। মাক-জীয়েকৰ কথা-বাৰ্তাৰ মাজেদি ভাৰতীয় সমাজ-ব্যৱস্থাত প্ৰাচীন কালৰে পৰা ৰীতি-নীতি আৰু পৰম্পৰাৰ দোহাই দি নাৰীমনক অৱদমিত কৰি ৰখাৰ প্ৰবৃত্তিক উদঙাই দেখুওৱা হৈছে।

কৃষ্ণা সোবতীৰ আটাইবোৰ উপন্যাস অধ্যয়নৰ পৰা এটা কথা জ্ঞাত হয় যে তেওঁৰ প্ৰায় আটাইবোৰ নাৰী চৰিত্ৰই নিজৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত পৰিবাৰ, সমাজ আৰু নানান পৰিজনৰ লগত সংঘৰ্ষত লিপ্ত হৈছে। সোবতীৰ উপন্যাসত নাৰীচেতনাৰ বিভিন্ন দিশৰ বাংময় প্ৰকাশ পৰিলক্ষিত হৈছে। তেওঁৰ প্ৰতিগৰাকী নাৰীয়েই পিতৃ-মাতৃ, সতি-সন্ততি, স্বামী তথা স্বামী গৃহৰ প্ৰতিজন সদস্যৰ প্ৰতি অধিক দায়িত্বশীল আৰু কৰ্তব্যপৰায়ণ যদিও প্ৰত্যেকেই নিজৰ সুকীয়া পৰিচয় গঢ়াৰ

প্ৰতি আগ্ৰহী। লগতে নাৰীৰ মনোজগতত অহৰহ বৈ থকা বহুবোৰ অপূৰণীয় আকাংক্ষাৰ কথাও সোবতীয়ে নিজৰ উপন্যাসৰাজিৰ জৰিয়তে ব্যক্ত কৰা পৰিলক্ষিত হৈছে।

**ইংৰাজী সাহিত্যৰ 'অনিতা দেশাই' আৰু হিন্দী সাহিত্যৰ 'কৃষ্ণা সোবতী'ৰ লগত বাংলা সাহিত্যৰ 'মহাশ্বেতা দেৱী'ৰ নাম একে শাৰীত থ'ব পাৰি।** অৱশ্যে এইখিনিতে এটা কথা লক্ষণীয় যে মহাশ্বেতা দেৱীৰ আটাইবোৰ উপন্যাসৰে প্ৰধান চৰিত্ৰ নাৰী নহয়। এওঁৰ সমগ্ৰ সাহিত্যৰাজি অধ্যয়নৰপৰা এটা কথা জানিব পাৰি যে মধ্যবিত্ত শ্ৰেণীৰ মানসিকতা, পাৰিবাৰিক আৰু সামাজিক সমস্যাৰ মেৰপাকতে মহাশ্বেতা দেৱীৰ সৃষ্টিৰাজি সীমিত নহয়। শোষিত শ্ৰেণীৰ স্বাৰ্থৰক্ষাৰ হকে তেওঁ কলম তুলি লৈছে। সত্তৰৰ দশকত পশ্চিমবংগৰ ৰাজনৈতিক তথা সামাজিক জীৱনক এক নতুন মাত্ৰা প্ৰদান কৰা **নক্সাল আন্দোলনে** তেওঁৰ **'হাজাৰ চৌৰাশিৰ মা', 'অগ্নিগৰ্ভ', 'মাষ্টাৰ সাব', 'দ্ৰৌপদী', 'ৰং নাম্বাৰ', 'কংকাল', 'শিশুদান', 'জনসত্ৰ'** আদি কালজয়ী উপন্যাসসমূহত স্থান লাভ কৰিছে।

**'হাজাৰ চৌৰাশিৰ মা'**— উপন্যাসখনিৰ **'মা'**ৰ চৰিত্ৰটোত অৱতীৰ্ণ হোৱা নাৰীগৰাকী হৈছে **সুজাতা**। সুজাতা উচ্চবিত্ত ঘৰৰ এজনী গৃহিণী আৰু চাৰিটা সন্তানৰ মাতৃ হোৱা সত্ত্বেও সৰু ল'ৰা 'ব্ৰতী'ৰ বাহিৰে স্বামী আৰু বাকী তিনিটা সন্তানৰ লগত তাইৰ বিশেষ সম্পৰ্ক নাই। স্বামীৰ অনাদৰ-অৱহেলাৰে জৰ্জৰিত সুজাতাৰ সুখ-দুখৰ একমাত্ৰ সংগী আছিল ব্ৰতী। **স্বামীৰ উপেক্ষাৰ পাত্ৰী হোৱাৰ পিছত তাই মানসিকভাৱে ভাগি পৰিছে যদিও ব্ৰতীকে সাবটি তাই নিজৰ বাবে এখন সুকীয়া পৃথিৱী গঢ়ি তুলিছে।**

অনুৰাধা শৰ্মা পূজাৰীৰ 'এজন ঈশ্বৰৰ সন্ধানত' উপন্যাসখনতো দেখা যায় যে উকীল জ্ঞানেন্দ্ৰ গোস্বামীয়ে সন্তান জন্ম দিবৰ কাৰণে নিম্নকুলৰ **'মনোৰমা'**ক ব্যৱহাৰ কৰিছে যদিও তেওঁলোকৰ পৰিয়ালত মনোৰমাক কেতিয়াও বোৱাৰীৰ প্ৰাপ্য মৰ্যাদা প্ৰদান কৰা হোৱা নাই। কিন্তু মনোৰমাই নিজৰ পুতেক দেৱাশিসৰ মুখলৈ চাই নিজৰ সময়বোৰ অতিবাহিত কৰিছে। **স্বামীৰ পৰা মৰম-স্নেহ নাপালেও এগৰাকী নাৰীয়ে কিদৰে নিজৰ জীৱনৰ মূল্যৱান সময়বোৰ সন্তানৰ মায়া-মমতাতে পাৰ কৰিব পাৰে এই কথা মহাশ্বেতা দেৱীৰ 'হাজাৰ চৌৰাশিৰ মা' আৰু অনুৰাধা শৰ্মা পূজাৰীৰ 'এজন ঈশ্বৰৰ সন্ধানত' উপন্যাসৰ মাধ্যমেৰে প্ৰকাশিত হোৱা পৰিলক্ষিত হৈছে।**

**'হাজাৰ চৌৰাশিৰ মা'**— উপন্যাসৰ সুজাতা আধুনিক কঠোৰ মানসিকতাৰ নাৰী তথা

মাতৃ। **'ব্ৰতী'**ৰ মৃত্যুৰ পিছত সুজাতাৰ চৌদিশ অন্ধকাৰাচ্ছন্ন হৈছে যদিও তাই নিজকে চম্ভালি লৈছে। পশ্চিমবংগৰ বিখ্যাত নক্সালবাদী আন্দোলনত ব্ৰতীয়ে আন বহুজনৰ লগত প্ৰাণ হেৰুৱাইছে। **ৰীতা চৌধুৰীৰ 'জাহ্নৱী' উপন্যাসৰ 'জয়া' নামৰ প্ৰৌঢ়া নাৰীগৰাকীৰ লগত মহাশ্বেতা দেৱীৰ সুজাতাৰ মিল আছে।** কাৰণ জয়ায়ো সন্ত্ৰাসবাদীৰ হাতত নিজৰ ডেকা পুত্ৰক অকালতে হেৰুৱাইছে যদিও তেওঁ মনোবল নেহেৰুৱাই স্বামীশোকত মানসিক বিকাৰগ্ৰস্ততাৰ চিকাৰ হোৱা বোৱাৰী নীলাক্ষিক চোৱাচিতাহে কৰিছে। অনাকাংক্ষিত বিপদত পৰা সত্ত্বেও এওঁলোকে দিক্-বিদিক নেহেৰুৱাই নিজৰ নিজৰ শক্তিশালী নাৰীমনৰ পৰিচয় দাঙি ধৰিছে।

**মহাশ্বেতা দেৱীৰ 'হাজাৰ চৌৰাশিৰ মা'— উপন্যাসত যিদৰে পশ্চিমবংগৰ প্ৰেক্ষাপটত ৰাজনৈতিক জীৱনক প্ৰভাৱান্বিত কৰা নক্সালবাদী আন্দোলনৰ প্ৰসংগ উপস্থাপিত হৈছে। একেদৰেই ৰীতা চৌধুৰীৰ 'এই সময় সেই সময়' উপন্যাসত অসমৰ প্ৰেক্ষাপটত অসম আন্দোলনৰ কথা আলোচিত হৈছে। এই দুয়োটা আন্দোলনৰেই দুয়োখন ৰাজ্যৰ ৰাজনৈতিক বাতাৱৰণ নিৰ্মাণৰ ক্ষেত্ৰত বিশেষ ভূমিকা থকা পৰিলক্ষিত হয়।**

প্ৰাচীন কালৰেপৰা পুৰুষপ্ৰধান ভাৰতীয় সমাজ-ব্যৱস্থাত কোনো কোনো ক্ষেত্ৰত নাৰীক সামান্যতম মানৱীয় প্ৰমূল্যবোধৰো অংশীদাৰ কৰি গঢ়া নাই। পুৰুষ-স্ত্ৰী উভয়ৰেই বৰঙণিত সংসাৰ যাত্ৰা বৰ্তি থাকে যদিও নাৰীক এনে এক গৃহবিহীন জীৱৰ ৰূপত গঢ় দিয়া হৈছে, যাৰ নিজা ঘৰতো বাদেই ৰাতিটোৰ ভিতৰতে নামো সলনি কৰি দিয়া হয়। মাতৃ গৃহৰপৰা স্বামী গৃহলৈ গমন কৰাৰ সময়তেই এগৰাকী নাৰীৰ মাতৃ গৃহত থকা সকলো অধিকাৰৰ পৰিসমাপ্তি ঘটে। ইয়াৰ উপৰি বিধৱা নাৰীৰ প্ৰতি থকা সমাজৰ কু-দৃষ্টিবোৰতো আছেই। সমাজৰ বিকৃত মানসিকতাৰ বাবেই বিধৱা এগৰাকীয়ে নিজৰ ইচ্ছা অনুসৰি পোছাক-পৰিচ্ছদ বা আ-অলংকাৰো পৰিধান কৰিব নোৱাৰা হয়। দ্বিতীয়বাৰৰ বাবে বিবাহপাশত আবদ্ধ হ'ব খোজাটোও নাৰীৰ বাবে চূড়ান্ত অপৰাধলৈহে পৰিণত হয়। এইক্ষেত্ৰত মণিকুন্তলা ভট্টাচাৰ্যৰ **'অৰুন্ধতী'** উপন্যাসৰ প্ৰসংগ টানি আনিব পাৰি। কাৰণ এই উপন্যাসৰ **'অনন্যা'**ও দ্বিতীয় স্বামী হৃদয়ৰ আত্মীয়সকলৰ মনত গৰিহণাৰ পাত্ৰ হৈ পৰিছে। অৱশ্যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ চিন্তাধাৰাৰো পৰিৱৰ্তন ঘটিছে। মণিকুন্তলা ভট্টাচাৰ্যৰ **'যমুনা'** উপন্যাসত সেয়েহে ঔপন্যাসিকে ভগ্নী গংগাৰ জৰিয়তে যমুনাক বিভিন্ন সময়ত দ্বিতীয়বাৰৰ বাবে বিবাহত বহিবলৈ অনুপ্ৰেৰণা যোগাইছে।

আমাৰ সমগ্ৰ গৱেষণাকাৰ্যৰপৰা এটা কথা স্পষ্ট হয় যে ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ আটাইবোৰ চৰিত্ৰ আমাৰ চকুৰ আগত থকা নাৰী সমাজৰ পৰাই বুটলি অনা হৈছে। এওঁলোকৰ বেছিসংখ্যক নাৰীয়েই অধ্যয়নপুষ্ট মন আৰু মননশীলতাৰ গুণত নিজস্ব ধ্যান-ধাৰণা গঢ়ি তুলিছে আৰু মনৰ দৃঢ়তাত খোপনি পুতি ৰৈছে। প্ৰতিটো নাৰী চৰিত্ৰই দৃঢ়মনা আৰু ব্যতিক্ৰমী নাৰী হোৱাৰ স্বাক্ষৰ বহন কৰে।

**পতিসেৱা আৰু সংসাৰৰ প্ৰতি দায়িত্ব নাৰীচেতনাৰ অন্যতম দিশ।** আমাৰ আলোচ্য আটাইবোৰ উপন্যাসতে এটা কথা লক্ষণীয় যে এই উপন্যাসবোৰৰ অধিকসংখ্যক নাৰী চৰিত্ৰই স্বামীৰ লগত সুখী জীৱন কটোৱাৰ স্বপ্ন মষিমূৰ কৰি একাকী জীৱন কটোৱাৰহে সিদ্ধান্ত লৈছে। অৱশ্যে **ইয়াৰ ভিতৰত 'ৰাজীৱ ঈশ্বৰ'ৰ 'মন্দিৰা', 'মায়াবৃত্ত'ৰ 'পুতি', 'ৰাগ মালকোশ'ৰ 'মালা', 'এজন ঈশ্বৰৰ সন্ধানত'-ৰ 'মনোৰমা', 'ব'ৰাগী নদীৰ ঘাট'ৰ 'নয়নতৰা', 'জলকন্যা'ৰ 'মেমচাহাব' এই আটাইবোৰ নাৰী চৰিত্ৰই স্বামী আৰু সতি-সন্তানৰ লগত সংসাৰ চক্ৰ চলাই গৈছে যদিও বহু সময়ত বহু মানুহৰ মাজত থাকিও তেওঁলোক নিঃসংগ হৈ পৰিছে।**

উড়িয়া সাহিত্যৰ বিশিষ্ট ঔপন্যাসিক **প্ৰতিভা ৰায়ে** মহাভাৰতৰ 'দ্ৰৌপদী'ৰ চৰিত্ৰক ভেটি কৰি 'যাজ্ঞসেনী' নামৰ উপন্যাসখন ৰচনা কৰিছে। উপন্যাসখনত পুৰুষশাসিত সমাজ-ব্যৱস্থাত নাৰীয়ে নিজে কোনো ভুল নকৰাকৈয়ে যে জীৱনত নানা শাস্তি আৰু যন্ত্ৰণাৰ সন্মুখীন হ'বলগীয়া হয় এই কথা ব্যক্ত কৰিছে। মণিকুন্তলা ভট্টাচাৰ্যৰ 'বৰদোৱানী' উপন্যাসৰ বৰদোৱানীয়েও নিজে একো দোষ নকৰাকৈয়ে কেৱল এটা সন্তান জন্ম দিব নোৱাৰাৰ বাবেই সমাজৰ তীব্ৰ লাঞ্ছনা-গঞ্জনাৰ সন্মুখীন হৈছে।

ঔপন্যাসিক প্ৰতিভা ৰায়ে দ্ৰৌপদীক ইয়াত ভাৰতীয় নাৰীৰ প্ৰতীক ৰূপে ব্যৱহাৰ কৰিছে। ত্যাগ, সৌন্দৰ্য, আনুগত্য, শ্ৰদ্ধা, নীতি-নিয়ম আদিৰ নিৰ্দিষ্ট গণ্ডীৰ মাজত আবদ্ধ নাৰী চৰিত্ৰৰ প্ৰতিনিধি স্বৰূপেই দ্ৰৌপদীক ইয়াত উপস্থাপন কৰা হৈছে।

প্ৰতিভা ৰয়ৰ সাহসী লিখন শৈলীৰ মাধ্যমেৰে তেওঁৰ প্ৰবল মানৱতাবাদী মনৰ প্ৰকাশ ঘটিছে। বহুসংখ্যক সমালোচকে তেওঁক কমিউনিষ্ট আৰু নাৰীবাদী আখ্যা দিলেও ৰায়ে নিজেই কৈছে যে "তেওঁ মানৱতাবাদী। সুস্থ সমাজ পৰিচালনাৰ বাবে নাৰী আৰু পুৰুষ দুয়োৰে সমান প্ৰয়োজনীয়তা আছে। সেয়ে নাৰীসকলকো নিজৰ প্ৰতিভা বিকাশৰ বাবে সম-অধিকাৰ প্ৰদান

কৰাটো অতি প্ৰয়োজনীয়।”[৯]

ন-বছৰ বয়সতে হাতত কলম তুলি লোৱা প্ৰতিভা ৰায়ৰ ৰচনাৰাজিত শ্ৰেণীবিভাজন, ধৰ্মীয় বিভাজন, লিংগ বৈষম্য আদি সততে লক্ষণীয়।

এনেদৰেই এই অধ্যায়টোত ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসবোৰত নাৰীচেতনাৰ বিভিন্ন দিশৰ এক তুলনামূলক আলোচনা দাঙি ধৰাৰ লগতে ইংৰাজী, হিন্দী, বাংলা আৰু উড়িয়া সাহিত্যৰ সমসাময়িক উপন্যাসকেইখনমানৰ প্ৰসংগ টানি আনি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নাৰীৰ চেতনা আৰু অনুভৱ সম্পৰ্কে আভাস দিবলৈ চেষ্টা কৰা হৈছে।

## প্ৰসংগটীকা


১। ৰীতা চৌধুৰী ঃ ৰাজীৱ ঈশ্বৰ, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী- ১, চতুৰ্থ সংস্কৰণ, পৃষ্ঠা নং- ৪৪

২। অনুৰাধা শৰ্মা পূজাৰী ঃ এজন ঈশ্বৰৰ সন্ধানত, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী- ১, পৃষ্ঠা নং- ১০

৩। ড° শীলা বৰঠাকুৰ ঃ অসমীয়া সাহিত্যত নাৰী, বিনীতা দত্ত (সম্পা.) সদৌ অসম লেখিকা সমাৰোহ সমিতি, প্ৰথম প্ৰকাশ, ডিচেম্বৰ- ১৯৯৫ (পাতনি)

৪। Virginia Woolf : WOMEN AND FICTION, TWENTIETH CENTURY PROSE, Udayan Mishra Atul Goswami Aparna Dutta Mohanta Profulla Goswami (ed.) Published in India by Oxford University Press, Third impression 2002, Page no.- 73

৫। ৰীতা চৌধুৰী ঃ দেওলাংখুই, জ্যোতিপ্ৰকাশন, যশোৱন্ত পথ, পাণবজাৰ, গুৱাহাটী- ১, প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ২০০৫, পৃষ্ঠা নং- ১৮৪

৬। মণিকুন্তলা ভট্টাচাৰ্য ঃ অনুৰোধ, বনলতা, নতুন বজাৰ, ডিব্ৰুগড়- ১, দ্বিতীয় প্ৰকাশ, অক্টোবৰ, ২০১৬, পৃষ্ঠা নং- ১৭৬

৭। Suman Sarma (Ed.) : Fasting, Feasting, Bookland, Aditya Book Distributor, M.L.N. Rod. Panbazar, ghy 1, পৃষ্ঠা নং- ০৯

৮। কৃষ্ণা সোবতী ঃ মিত্ৰৌ মৰজানী, ৰাজকমল প্ৰকাশন, দিষী, কেঁচাবন্ধা, ১৯৮৮, পৃষ্ঠা নং- ১২

৯। উৎস ঃ গুগল, প্ৰতিভা ৰায়, https://as.m.wikipedia.org তাৰিখ ঃ ১২-০৯-২০২০, সময় দিনৰ ১ বজা